অধ্যায় ১০ ঃ হেম বৰুৱাৰ কবিতা ঃ পোহৰতকৈ এন্ধাৰ ভাল

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 আধুনিক কবিতা আৰু আধুনিক কবিতাৰ বৈশিষ্ট্য

10.4 অসমীয়া আধুনিক কবিতাৰ সাধাৰণ আলোচনা

10.5 *পোহৰতকৈ এন্ধাৰ ভাল*

10.5.1 কবি পৰিচয়

10.5.2 কবিতাটিৰ মূল পাঠ

10.5.3 কবিতাটিৰ বিষয়বস্তু

10.5.4 কবিতাটিত হোৱা আধুনিক চিন্তাৰ প্ৰতিফলন

10.5.5 কবি হিচাপে হেম বৰুৱাৰ মূল্যায়ন

10.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

10.7 অধিক জানিবলৈ

10.8 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

10.9 আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক কবিতাৰ সৃষ্টিত অৰিহণা যোগোৱা পৰিৱেশ-পৰিস্থিতিৰ বিষয়ে ধাৰণা লাভ কৰিব
- আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ কি তাক জানিব পাৰিব
- অসমীয়া আধুনিক কবিতাৰ উদ্ভৱৰ লগত জড়িত নানা পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আধুনিক কবি হিচাপে হেম বৰুৱাৰ কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰিব পাৰিব
- *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোৰ মূল্যায়ন কৰিব পাৰিব
- কবি হেম বৰুৱাৰ অন্যান্য কবিতাত ফুটি উঠা আধুনিকতাৰ লক্ষণৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- সামগ্ৰিকভাৱে কবি হেম বৰুৱাৰ মূল্যায়ন আগবঢ়াব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱাৰ কবিতা *কলঙ্পাৰৰ মাজনিশা* অধ্যয়ন কৰিলে। সেই কবিতাটোৰ মাজেদি কবি দেৱকান্তৰ কাব্য চেতনাৰ বিষয়ে কিছু কথা জানিব পাৰিলে। এইটো অধ্যায়ত অসমীয়া আধুনিক কবিতাৰ এগৰাকী পুৰোধা কবি হেম বৰুৱাৰ *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটো পঢ়িবলৈ পাব। আধুনিক কবিতাৰ লক্ষণাক্রান্ত এই কবিতাটোৱে আপোনাক আধুনিক জীৱন চিন্তাই কবি মানসত কেনে ধৰণৰ ভাবনাৰ সৃষ্টি কৰিছিল তাৰ লেখ পাব। তাৰ লগতে এই বিশেষ কবিতাটোত কবিয়ে নিজ মাতৃভূমি অসমৰ বায়ু, পানী জীৱন চিন্তাৰ লগতে ৰাষ্ট্রীয় ভাবনা আৰু এগৰাকী দায়বদ্ধ বিশ্ব নাগৰিক হিচাপে কবিৰ যি ব্যক্তিগত উপলব্ধি আৰু বৃহত্তৰ সমাজ জীৱনৰ কল্যাণৰ বাবে তেওঁৰ আশাবাদী চেতনা প্রকাশ পাইছে।

১০.৩ আধুনিক কবিতা আৰু আধুনিক কবিতাৰ বৈশিষ্ট্য

আধুনিক কবিতাৰ বিষয়ে জানিবলৈ 'আধুনিক' মনটো চাকি চোৱাৰ প্রয়োজন। হিউগো ফন হফ্মানস্তাল [1874–1929] এ সাহিত্য সমালোচনাৰ ভাষা ধাৰ কৰি 1893 চনত 'আধুনিক'ৰ দুটি ভিন্ন অথচ স্পষ্ট কথা উদ্ভাসিত কৰিছে। এই প্রসঙ্গ দুটি হ'ল— [1] জীৱনৰ বিশ্লেষণ আৰু [2] জীৱনৰ পৰা পলায়ন। প্রথমটো প্রসঙ্গৰ বাবে হফমানস্তালে দর্পণ কল্পচিত্র (Mirror Image) আৰু দ্বিতীয়টোৰ বাবে স্বপ্ন কল্পচিত্র (Dream Image) অভিধা প্রয়োগ কৰিছে। 1931 চনত ভার্জিনিয়া উল্ফ [1882–1941] ৰ দ্য ৱেভচ্ নামৰ উপন্যাসখন প্রকাশ পায়। ইয়াৰ বার্ণার্ড চৰিত্রটোৰ যোগেদি দুটা সম্পূর্ণ ভিন্ন অনুভূতি বেদনা আৰু আনন্দ একত্রে দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱাত ভাষাৰ মাধ্যমেদি মূর্ত কৰি তোলা হৈছে। আনন্দ আৰু শোক ইটোৰ পৰা সিটো পৃথক আৰু স্পষ্ট কৰি, অথচ একেলগে প্রকাশ কৰা এই বৌদ্ধিক অনুশীলনে হফমানস্তালৰ 'আধুনিক' ধাৰণাৰে প্রতিধ্বনি কৰিছে।

বার্ণার্ডৰ মনৰ দোদুল্যমান অৱস্থাই সূচায় যে অনুভূতিবোৰ সদায়েই সহজলভ্য নহয়। সাহিত্য আৰু কলাক ইয়াৰ ৰূপায়ণৰ বাবে বৌদ্ধিক কছৰতৰ প্রয়োজন। ৰাইনাৰ মাৰিয়া বিল্কে [1875–1926] ইইয়াৰ বাবে একপ্রকাৰ নির্দেশেই জাৰি কৰিছিল। সকলো ধৰণৰ অনুভূতিৰ চাপ ভাষাৰ জৰিয়তে প্রকাশ কৰাৰ প্রয়াস আধুনিকতাৰ এটা নির্দ্ধাৰণকাৰী বৈশিষ্ট্য। শব্দ এটা তাৰ শব্দ গুণৰ বাবেই কবিতাত ব্যৱহাৰ কৰা হ'ব নে অর্থৰ প্রতি লক্ষ্য ৰাখিহে তাক প্রয়োগ কৰা হ'ব সিও এটা বিচার্য বস্তু হৈ পৰিল। শব্দ আৰু অর্থৰ এই টনা-আঁজোৰাৰ ফলত কবিতা *অসহনীয় মল্লযুঁজত* পৰিণত হোৱাৰ কথা এলিয়টে কৈছিল তেওঁৰ ফৌৰ কোৰার্টেছ কাব্যগ্রন্থত। কবিতা শক্তিশালী আৱেগৰ আপোনা-আপুনি পাৰ বাগৰি যোৱা 'উৎকৃষ্ট শব্দৰ উৎকৃষ্ট বিন্যাস' এনেবোৰ আপেক্ষিকভাৱে কিছু পুৰণি আৰু পৰম্পৰাবাদী সূত্র পোনচাটেই খাৰিজ হোৱাৰ উপক্রম হ'ল। মনটোক সঙ্কুচিত অৱস্থাৰ প্রসাৰিত কৰি ক'ব নোৱাৰা কথাবোৰ প্রকাশ কৰিবলৈ বিচৰা হ'ল। কেৱল কবিতা বুলিয়েই নহয়, সেই সময়ৰ সকলো শিল্প-কর্মত মানুহৰ বুজন ক্ষমতাৰ বৃদ্ধিৰ বাবে যত্ন পৰিলক্ষিত হৈছিল।

হফ্‌মানস্তালৰ 'আধুনিক'ৰ ধাৰণা কিন্তু বৰ বেছিদিন স্থায়ী নহ'ল। তেওঁ 'আধুনিক'ৰ স্পষ্ট আৰু ভিন্ন ধাৰা বুলি অভিহিত কৰা 'জীৱনৰ বিশ্লেষণ' আৰু 'জীৱনৰ পৰা পলায়ন'ৰ মাজত পার্থক্য আচৰিত ধৰণে কমি আহিছিল। এই পার্থক্যহীনতাৰ পুনৰ মূল্যায়নৰ প্রয়োজন হ'ল। ঊনবিংশ শতিকাত গঢ় লৈ উঠা বহু গাইগুটীয়া দার্শনিক পন্থা আৰু প্রসিদ্ধ মতবাদসমূহকো সন্দেহৰ চকুৰে চোৱা হ'ল, আনকি সেইবোৰৰ প্রতি বৈৰী মনোভাবৰো প্রতিফলন ঘটিল। অৱশ্যে এই সময়ছোৱাতে প্রাকৃতিক বিজ্ঞানৰ আৰু সাধাৰণতে আমি যাক বৈজ্ঞানিক পদ্ধতি বুলি কওঁ তাৰ মর্যাদা বৃদ্ধি পালে।

আধুনিক কবিতা আন্দোলনক বিশেষভাৱে প্রভাৱান্বিত কৰা কেতবোৰ ঘটনাৰ উল্লেখ প্রাসঙ্গিক ঃ 1905 চনত প্রৱর্তিত আইনষ্টাইনৰ *Theory of Relatively* বা *আপেক্ষিকতাবাদ আৰু কোৱাণ্টাম থিয়ৰি*, 1857 চনত প্রকাশিত ডাৰউইনৰ *The Origin of the Species*, 1905 চনত প্রকাশিত ফ্রয়েডৰ *The Interpretation of Dreams* আৰু 1905 চনত প্রকাশিত *Three Contribution to the Theory of Sex* আৰু কার্লমার্ক্সৰ *কম্যুনিষ্ট মেনিফেষ্টো* আৰু *ডাছ কেপিটেল* [1867, প্রথম খণ্ড)। আইনষ্টাইনৰ তত্ত্বই মানুহৰ বস্তুগত জ্ঞানক আঘাত কৰিলে, কাৰণ এট'ম বা পৰমাণুৰে পূর্ব নির্দিষ্ট নিয়মত কাম নকৰে। ডাৰউইনে দেখুৱালে মানুহ উচ্চতৰ প্রাণী মাত্র, অইন একো নহয়। সভ্য মানুহৰ বর্তমান ভূমিকা সম্বন্ধে সংশয়ৰ আৱন্তণিয়ে মানুহৰ এইবোৰ আৱিষ্কাৰক ত্বৰান্বিত কৰে। *Theory of Evolution* বা *বিবর্তনবাদে* ঊনবিংশ শতিকাৰ ৰমন্যাসিক মতবাদক আঘাত হানিলে, দেখা গ'ল মানুহ মহান আৰু দেৱতাৰ সৃষ্টি নহয়— ই জন্তুৰেই সমপর্যায়ভুক্ত আৰু পৰিৱেশ আৰু বংশধাৰাৰ পৰা জন্ম পোৱা মাত্র। তেওঁ শক্তিমান নহয় আচলতে অসহায়। এই সাহিত্যতত্ত্ব Naturalism নামে অভিহিত। ফ্লবেয়াৰৰ উপন্যাস মাদাম বোভাৰী প্রভৃতিত ই প্রকাশিত হৈছে। ফ্রয়েডে মানুহৰ মনক তিনিটা স্তৰত ভাগ কৰিলে— ego বা অহং, superego বা নিয়ন্ত্রক আৰু id বা অৱচেতন। মানুহে যেতিয়া তেওঁৰ মনৰ স্বাভাৱিক প্রৱণতাবোৰ জোৰ কৰি অৱচেতনৰ স্তৰত নিক্ষেপ কৰে অর্থাৎ অৱদমন কৰে তেতিয়াই নিউৰোছিছ বা উদ্বায়ু মানসিক ৰীতিৰ জন্ম হয়। আধুনিক কবিতাই মানুহৰ নিউৰোছিছক এটি দুর্জ্ঞেয় আত্মিক অসুস্থতাৰ স্তৰত উন্নীত কৰি চাইছে। আনফালে ফ্রয়েডৰ *Introductory Lectures ofn Psychoanalysis* বা *মনঃসমীক্ষণৰ বিখ্যাত বক্তৃতাৱলীত* Free Asociation বা অবাধ ভাবানুষঙ্গ ৰীতি প্রকাশ পালে যি পাছত কবিতাত অধিবাস্তৱবাদ আৰু উপন্যাসত Stream of Consciousness বা চেতনাপ্রৱাহ ৰীতিৰ প্রধান অৱলম্বন হ'ল।

ফ্রয়েডে মানুহৰ মনৰ অতল তলিলৈকে খান্দি উলিয়ালে। আত্মানুসন্ধানৰ ওপৰত জোৰ দিয়াৰ বাবে সাহিত্যত Subjectivityৰ সাৱলীল উন্মোচন ঘটিল। ফ্রয়েডে যৌনতাৰ ওপৰত গুৰুত্ব প্রদান কৰিয়েই ক্ষান্ত নাথাকিল আৰু ইয়াৰ পৰাই যে শিল্পৰ উদ্‌গতি সেই কথাও দেখুৱালে। কার্লমার্ক্সৰ ৰচনাৰ প্রভাৱ ইমানেই আছিল যে সকলোতে দেখা গ'ল পূর্বৱর্তী সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক ধাৰণাবোৰৰ পৰিৱর্তন ঘটিল। প্রথম মহাযুদ্ধৰ ফলস্বৰূপে মানৱীয় মূল্যবোধৰ যি শোচনীয় পৰাজয় ঘটিল তাৰ ফলস্বৰূপে এই পৰিৱর্তনৰ প্রাবল্য ঘটিল।

দার্শনিক নীৎছেৰ আত্মবাদ, শিল্পী পিকাছোৰ আত্মগত কল্পনাৰ ওপৰত প্রাধান্য, দার্শনিক ইমানুৱেল কাণ্টৰ মুক্ত সৌন্দর্যৰ ধাৰণাই জ্ঞানৰ ক্ষেত্রত নতুন আয়তনৰ সংযোগ কৰিলে।

মহাযুদ্ধ [1914–1918]ৰ প্রভাৱ ইমানেই ক্ষয়ঙ্কৰী আৰু সুদূৰপ্রসাৰী আছিল যে পূৰ্বৰ ইউৰোপীয় সময়ছোৱা কেনে আছিল তাক গভীৰভাৱে অনুধাৱন কৰাটো সম্ভৱপৰ নহয়। ইউৰোপত এটি সাধাৰণ (General) সঙ্কটৰ জন্ম হৈছিল। সকলো ভাঙি নতুনকৈ গঢ়াৰ এটি স্বপ্ন, এটি দৃঢ় সঙ্কল্পৰ অনিবার্যতা ইয়াৰ লগত জড়িত আছিল। এই সঙ্কটে যিহকে উদ্ভাসিত নকৰক লাগে, ই যিমানেই মানসিক আলোড়ন সৃষ্টিকাৰী আৰু পৰিৱর্তনৰ চেতনাৰ বার্তাবাহী নহওক লাগে, স্থিৰতা আৰু প্রশান্তিৰ ভাব যিমানেই কঢ়িয়াই নানক কিয় ই স্পষ্টকৈ আছিল বিভিন্ন মতদ্বৈধৰ সমাহাৰ।

বিংশ শতিকাৰ আৰম্ভণিতে বুর্জোৱা সভ্যতাই লণ্ডনত চূড়ান্ত শিখৰ চুইছিল। এই শতিকাটোতেই ইউৰোপৰ ৰাজধানী চহৰ লণ্ডন, পেৰিছ, বার্লিন ঔদ্যোগিক-বাণিজ্যিক অর্থনৈতিক লেনদেনৰ প্রাণকেন্দ্রস্বৰূপ হৈ পৰিছিল। প্রথমবাৰৰ বাবে ব্যক্তি সমগ্র বিশ্বকে সামৰি লোৱা অর্থ ব্যৱস্থা এটাৰ সংস্পর্শলৈ আহিল। প্রথম মহাসমৰৰ পূৰ্বৰ অর্ধশতিকা গুৰুত্বপূর্ণ অর্থনৈতিক বিকাশৰ কাৰণে ইতিহাসত চিহ্নিত হ'বৰ যোগ্য। 1870 চনৰ পৰা 1913 চনৰ সময়ছোৱাত জনমূৰি ঔদ্যোগিক উৎপাদন ইমান দ্রুতহাৰত বাঢ়িছিল যে সি তাৰ পূৰ্বৱর্তী আৰু পৰৱর্তী সকলো অভিলেখ ভংগ কৰিছিল। এইদৰে আন্তর্জাতিক অর্থনীতিৰ প্রসাৰ ঘটিছিল। বিশ্বৰ উৎপাদিত সামগ্রীৰ 60 শতাংশৰ অংশীদাৰ আছিল ব্রিটেইন, জার্মান আৰু ফ্রান্স। বিংশ শতিকাৰ প্রথম দশকটোত জার্মানে তীখা, লো আৰু কয়লাৰ উৎপাদন দ্বিগুণলৈ বৃদ্ধি কৰিছিল। এই অতীৰ গুৰুত্বপূর্ণ প্রসাৰৰ সমান্তৰালভাবে ঊনবিংশ শতিকাৰ শেষৰ দশকটোত এটা প্রযুক্তিগত বিপ্লৱো সংঘটিত হৈছিল। এই বিপ্লৱৰ এলানি অতি গুৰুত্বপূর্ণ আৱিষ্কাৰে বিংশ শতিকাৰ প্রযুক্তিবিদ্যাৰ ভেটি প্রতিষ্ঠা কৰাৰ লগতে শতিকাটোৰ প্রযুক্তিবিদ্যাক ঊনবিংশ শতিকাৰ প্রযুক্তিবিদ্যাতকৈ সুকীয়া মাত্রা প্রদান কৰিছে। এলেন বুলকে ইয়াৰ এখন তালিকা আগবঢ়াইছে—

"স্বতঃদহনযুক্ত ইঞ্জিন, ডিজেল ইঞ্জিন আৰু ভাপচালিত যন্ত্র শক্তিৰ নতুন উৎস হিচাপে বিদ্যুৎ, তেল আৰু পেট্র'লিয়ামৰ ব্যৱহাৰ, অট'ম'বাইল মটৰ বাছ [1905 চনত প্রথমবাৰৰ বাবে লণ্ডনৰ ৰাস্তাত বাছ দেখা যায়), ট্রেক্টৰ আৰু আকাশীযান, টেলিফোন, টাইপ-ৰাইটাৰ আৰু টেপ-মেচিন, আধুনিক অফিচ ব্যৱস্থা।"

ৰাসায়নিক উদ্যোগৰ জৰিয়তে সংশ্লিষ্ট সামগ্রীৰ উৎপাদন কৰা হৈছিল।ৰঞ্জক দ্রব্য, মানুহে প্রস্তুত কৰা ফাইবাৰ আৰু প্লাষ্টিক এই সময়ছোৱাৰ উল্লেখযোগ্য অৱদান। চমুকৈ ক'বলৈ হ'লে কুৰি শতিকাৰ ইউৰোপ আৰু আমেৰিকাৰ সমাজ ব্যৱস্থা নগৰীয়া জীৱন আৰু ঔদ্যোগীকৰণে প্রভাৱিত কৰিছিল। জীৱন হৈ পৰিছিল যান্ত্রিকতাপূর্ণ। মানুহ অভ্যস্ত হৈ পৰিছিল অফিচ-কাছাৰীৰ চকাবন্ধ সময়সূচীতো।

ৰাজনৈতিক আৰু অর্থনৈতিকভাবে ইউৰোপেই সমগ্র পৃথিৱীক নিজৰ অধীনত ৰাখিছিল। 1900 চনত বৃটিছ সাম্রাজ্যই সমগ্র বিশ্বৰ ভূখণ্ডৰ এক চতুর্থাংশ আৱৰি আছিল আৰু ইয়াৰ বাসিন্দা আছিল 400 নিযুত লোক। লণ্ডন আছিল উৎকর্ষময় সাম্রাজ্যবাদী ৰাজধানী। সাম্রাজ্যবাদ কেৱল

ৰাজনৈতিক ক্ষমতা আহৰণ আৰু অর্থনৈতিক শোষণৰ এটা পদ্ধতি নাছিল। ই বুদ্ধিজীৱী, লেখক, ব্যৱসায়ী, সৈনিক, মিছনেৰী আৰু ৰাজনীতিবিদক মোহগ্রস্ত কৰি এটি আদর্শ আৰু বিশ্বাসলৈ ৰূপান্তৰিত হৈছিল। ঔদ্যোগিকীকৰণ আৰু সাম্রাজ্যবাদে ইউৰোপক এটি নতুন ৰূপ প্রদান কৰিছিল। ফলস্বৰূপে ঊনবিংশ শতিকাৰ দ্বিতীয়ার্ধত সামাজিক-ৰাজনৈতিক ক্ষেত্রত সুদূৰপ্রসাৰী পৰিৱর্তন সাধন হৈছিল। সমাজৰ একেবাৰে শীর্ষস্থানত আছিল পৰম্পৰাবাদী ইউৰোপীয় অভিজাত ব্যক্তিসকল। ভূমিস্বত্বৰ অধিকাৰী এই লোকসকলে উদ্যোগ, বেঙ্ক আৰু অন্যান্য বৃত্তিত জড়িত হৈ পৰিছিল আৰু আড়ম্বৰপূর্ণ জীৱন-যাপন কৰিছিল। ইয়াৰ তলত আছিল ধনী-দুখীয়াৰ শ্রেণীবিভক্ত সমাজখন। অৱসৰ-বিনোদনৰ বাবে যথেষ্ট সময় পোৱা ধনিক শ্রেণী আৰু অৱসৰ-বিনোদনৰ সুযোগ-সুবিধা নোপোৱা শ্রমিক শ্রেণীৰ মাজৰ পার্থক্য সাজ-পাৰ, খাদ্য-ঘৰ, শিক্ষাৰ ক্ষেত্রত যে সীমাৱদ্ধ আছিল এনে নহয়, ই শৰীৰ আৰু মনলৈও সংক্রমিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আধুনিক কবিতাৰ সৃষ্টিৰ পশ্চাদপটত কিবা আর্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণ আছে বুলি আপুনি ভাবেনে ?

[250টা শব্দৰ ভিতৰত লিখক)

আধুনিক কবিতাৰ বৈশিষ্ট্যবোৰ বিষয়বস্তু আৰু আঙ্গিক এই দুয়োটা দিশৰ পৰা বিবেচনা কৰিব পাৰি। ইয়াত প্রয়োগ হোৱা ভাষাইও এটি বিশিষ্টতা বর্জন কৰে।

আধুনিক মানুহৰ জীৱনৰ বিচ্ছিন্নতাবোধ, নিঃসঙ্গতা, নৈৰাজ্য আদিয়ে বিষয়ৰ ফালৰ পৰা আধুনিক কবিতাক সমৃদ্ধ কৰিছে। টি. এছ. এলিয়টৰ কবিতাত এইবোৰৰ ৰূপায়ণে সমগ্র বিশ্বৰ পটভূমিক আলোড়িত কৰিছিল। অস্তিত্ববাদৰ কথাও ইয়াৰ লগত সম্পর্কিত হৈ আছে। জার্মান দার্শনিক হাইডেগাৰৰ মতে আধুনিক মানুহ ইমানেই অসহায় যে তেওঁ যেন ভগৱানে আকাশৰ পৰা গতিয়াই তললৈ পঠিওৱা এটা প্রাণীহে। বিশেষকৈ নৱকান্ত বৰুৱাৰ আৰম্ভণি-পর্বৰ কবিতাসমূহত এনেবোৰ কথাৰ ৰূপায়ণ দেখা যায়। অজিৎ বৰুৱাই নিঃসঙ্গতাবোধৰ ছবি আঁকিছে অৱশ্যে অসমৰ গ্রামীণ জীৱনৰ পটভূমিত।

মহানগৰৰ জীৱনৰ ৰূপায়ণ আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য। পৃথিৱীৰ ভালেমান মহানগৰৰ কথা বাদ দিলেও পেৰিছ আৰু লণ্ডন মহানগৰীৰ কথাই ক'ব পাৰি। যুদ্ধৰ অব্যৱহিত পৰৱর্তী সময়ছোৱাত লণ্ডনে আধুনিক কবিতাৰ উপকৰণ যোগোৱাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা লৈছিল। পেৰিছে সর্বকালৰ বাবে বিভিন্ন ভাবনাৰ প্রচাৰ কৰিছিল, নতুন নতুন দর্শনৰ পোষকতা কৰিছিল। ভালেমান ক্ষেত্রতে ঊনবিংশ শতিকাৰ শেষৰ ফালে উদ্ভৱ হোৱা আৰু বিংশ শতিকালৈকে বিকশিত হৈ থকা পৰীক্ষামূলক আধুনিকতাবাদ এবিধ মহানগৰ কলা। আধুনিক শিল্পী এগৰাকীয়ে তেওঁৰ চেতনাত নগৰৰ মানচিত্র এখনকে কঢ়িয়াই লৈ ফুৰে বুলিয়েই আধুনিকতাবাদক নগৰ শিল্প বুলি অভিহিত কৰা হয়। সাহিত্যত মহানগৰ এখন কেৱল ঠাই মাত্র হৈ নাথাকিল, ই এটি ৰূপকৰ

ৰূপ ল'লে। বোডলেয়াৰ, ডষ্টয়েভস্কি, ডিকেন্স, জয়ছ, এলিয়ট আৰু পাউণ্ডৰ ৰচনাত মহানগৰে আঙ্গিকৰ স্থান অধিকাৰ কৰিছে। ৰমন্যাসবাদী কবিতাত গাঁৱৰে প্রাধান্য। ৱর্ডছৱর্থৰ *Tintern Abbey*ত মহানগৰ প্রাসঙ্গিক উল্লেখমাত্র। ৰঘুনাথ চৌধাৰীৰ কবিতাবোৰতো গাঁও এখন লুকাই থাকে। অৱশ্যে গাঁও আধুনিক কবিতালৈও আহিব পাৰে।

সময়ৰ প্রাধান্য আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য। ৰমন্যাসিক কবিতাত আছিল প্রকৃতিৰে প্রাধান্য। এই মত টি. এছ.এলিয়টৰ। এলিয়টৰ কবিতাত বিভিন্ন ধৰণৰ সময়ৰ উল্লেখ পোৱা যায়। এলিয়টৰ ইতিহাসচেতনা আৰু সত্তাৰ অধিবিদ্যাগত বাস্তৱতাৰ সন্ধানে তেওঁৰ কবিতাত সময়ৰ ধাৰণাৰ নিবিড় অভিনিবেশ মূর্ত কৰিছে।

আধুনিক কবিতাৰ আঙ্গিকৰ কথা ক'বলৈ গ'লে চিত্রকল্পবাদ, প্রতীকবাদ, পৰোক্ষ উল্লেখ (Allusion) আদি বিভিন্ন প্রসঙ্গৰ কথাই আমাৰ মনলৈ আহে।

চিত্রকল্পবাদে আধুনিক কবিতাৰ ভাষা সংহত কৰিছে আৰু আৱেগকো সংযমিত কৰিছে। কবিতাত কথ্য ভাষাৰ গুৰুত্ব আনুষ্ঠানিকভাবে পুনৰ্বাৰৰ বাবে স্বীকৃতি হ'ল চিত্রকল্পবাদী আন্দোলনৰ জৰিয়তে। টি. এছ. এলিয়টৰ পৰা আজিলৈকে চিত্রকল্পবাদৰ প্রভাৱৰ পৰা আঁতৰি থকা প্রতিনিধি স্থানীয় কবিৰ সংখ্যা বৰ বেছি নহয়।

প্রতীকবাদ আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য। প্রতীকবাদৰ জৰিয়তে কবিতা কবিতামুখী হ'ল, কবিমুখী হোৱাৰ সলনি। ভাষাৰ বহুমাত্রিকতা আধুনিক কবিতাৰ সমল হৈ পৰিল। ফৰাচী কবিসকলে এইক্ষেত্রত আগৰণুৱাৰ ভূমিকা পালন কৰিছিল। অসমীয়া কবিতাৰ ক্ষেত্রত নীলমণি ফুকনৰ আৰম্ভণিৰ কবিতাখিনিত ইয়াৰ ৰূপায়ণ দেখা যায়। ফুকনৰ 'বুৰঞ্জী' প্রতীকবাদী কবিতাৰ সার্থক উদাহৰণ।

এইবোৰৰ উপৰিও মিথৰ প্রয়োগ, পৰোক্ষ উল্লেখ, মুখাৰ ব্যৱহাৰ আদিও আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ আধুনক কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।
[250টা শব্দৰ ভিতৰত লিখক)

১০.৪ অসমীয়া আধুনিক কবিতাৰ সাধাৰণ আলোচনা

অসমীয়া আধুনিক কবিতাৰ উন্মেষৰ ক্ষেত্রত প্রগতিশীল সাহিত্যৰ কথাই ক'ব লগা হয়। প্রগতিশীল কবিতাৰ ক্ষেত্রত ভূমিকা লৈছিল *জয়ন্তী* নামৰ আলোচনীখনে। ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত আলোচনীখন ওলাই থকাৰ সময়ত ই প্রগতিশীল ৰূপ এটা তেনেকৈ লোৱা নাছিল। কিন্তু 1943 চনত আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব কমলনাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্যৰ হাতলৈ অহাত আলোচনীখনে প্রগতিশীল ৰূপ এটা লাভ কৰে। প্রগতিশীল কবিতা *জয়ন্তী*ৰ

পৃষ্ঠপোষকতাত গঢ় লৈ উঠাৰ অন্তৰালত সেই সময়ৰ সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপটৰ বিশেষ ভূমিকা আছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে মানুহৰ জাতীয় চেতনা প্ৰবলতৰ কৰি তুলিছিল। মহাত্মা গান্ধীৰ আন্দোলনৰ পদ্ধতি গণমুখী আছিল। এই সময়ছোৱাতে কংগ্ৰেছী ৰাজনীতিলৈ মাৰ্ক্সীয় চিন্তাৰ স্ৰোতো বৈ আহিছিল (*আধুনিক কবিতা*, হৰেকৃষ্ণ ডেকা, পৃঃ 35] ¼ আন্তর্জাতিক প্ৰেক্ষাপটেও এই ক্ষেত্ৰত সহায়কৰ ভূমিকা লৈছিল।

প্ৰগতিশীল অসমীয়া কবিসকলে শ্ৰেণী সংগ্ৰামত বিশ্বাস স্থাপন কৰিছিল আৰু সকলো প্ৰকাৰৰ, বিশেষকৈ অর্থনৈতিক শোষণৰ বিৰোধিতা কৰিছিল। কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচার্যৰ লগত এই প্ৰগতিশীল আন্দোলনত চামিল হ'বলৈ আগবাঢ়ি আহিছিল ভৱানন্দ দত্ত। এইবাবেই ভৱানন্দ দত্তই তেওঁৰ অসমীয়া কবিতাৰ কাহিনীত এলিয়টক সমালোচনা কৰিছিল নৈৰাজ্যবাদৰ পোষকতা কৰা বুলি।

*জয়ন্তী*ৰ প্ৰথম সংখ্যাত নচিকেতা ছদ্মনামত ভৱানন্দ দত্ত [1919–1951]ৰ *ৰাজপথ* নামৰ কবিতাটি প্ৰকাশ পায়, ইয়াত নৈৰাশ্য ধ্বনিত হৈছিল। দুখ আৰু পাপৰ যুগ্ম সত্তাৰ ৰূপ হিচাপে ঈশ্বৰক চিত্ৰিত কৰাৰ সূক্ষ্মতাৰ বিপৰীতে জয়ন্তীৰ কবিগোষ্ঠীৰ কবিতাত একমাত্ৰিক ঈশ্বৰৰ বিৰুদ্ধেহে বিদ্ৰোহ ফুটি উঠিল। ভৱানন্দ দত্তৰ কবিতাত মহানগৰৰ জীৱন মূৰ্ত হ'ল যদিও সি জন্ম দিয়া আধুনিক কবিৰ আত্মবিৰোধৰ পৰা সেয়া দূৰৰ বস্তু হৈ থাকিল। জয়ন্তী যুগৰ প্ৰতিনিধিস্থানীয় কবি অমূল্য বৰুৱা [1912–1946]ই ব্যাৰোঁ, আৰাগঁ, এলিয়ট, অডেন, সুধীন্দ্ৰনাথ দত্তৰ দৰে আধুনিক কবিৰ কবিতা পঢ়িছিল বুলি *বিস্মৃত ব্যতিক্ৰম*নামৰ ৰচনাত মুনীন বৰকটকীয়ে উল্লেখ কৰিছে¼ অমূল্য বৰুৱাৰ *বেশ্যা* আৰু *সিহঁত জীৱ* কবিতাত নাৰী মুক্তিৰ যি স্বপ্ন প্ৰকাশ পাইছে তাত ব্যাৰোঁ [1854–1891]ৰ প্ৰতিধ্বনি আছে। অমূল্য বৰুৱাইপ্ৰতিনিধিত্ব কৰা প্ৰগতিশীল সাহিত্যৰ ধাৰাটো যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ ফালে স্তিমিত হৈ পৰিল। *ৰামধেনু* আলোচনীৰ প্ৰকাশৰ লগে লগে আধুনিক কবিতাৰ ভাব-ভাষা ৰূপলৈ ভালেমান পৰিৱর্তন আহিল। 1950 চনৰ পৰা 1967 চনলৈ একেৰাহে *ৰামধেনু*প্ৰকাশ পাইছিল। তাৰ পিছত কেইবছৰমান বন্ধ হৈ 1971 চনত পুনৰ প্ৰকাশ পাইছিল আৰু 1973 চনত *ৰামধেনু*ৰ প্ৰকাশ সম্পূর্ণৰূপে বন্ধ হৈ যায়।

টি. এছ. এলিয়ট আৰু এজৰা পাউণ্ডৰ অনুপ্ৰেৰণাত অসমীয়া আধুনিক কবিতায়ো গ্ৰহণ কৰিলে আত্মসচেতন দৃষ্টিভঙ্গী। ব্যক্তিগত আবেগ-অনুভূতি আৰু বৌদ্ধিকতাৰ সংমিশ্ৰণ ঘটিল। কবিতাত শব্দ প্ৰয়োগৰ ক্ষেত্ৰত প্ৰতীকবাদী, চিত্ৰকল্পবাদী আৰু মেটাফিজিকেল কবিতা আধুনিক কবিসকলৰ অনুপ্ৰেৰণাৰ উৎস হৈ পৰিল। বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা চুবুৰীয়া বাংলা কবিতালৈ আধুনিকতাবাদৰ জোৱাৰ আহিছিল আৰু অসমীয়া কবিসকলো তাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। অসমীয়া কবিসকলে আধুনিকতা (Modernity)ই জীৱন আৰু জগতলৈ অনা জটিলতা অনুধাৱন কৰাৰ প্ৰয়াস কৰিছিল। সেইবোৰে ব্যক্তিগত সংবেদনক কিদৰে প্ৰভাৱান্বিত কৰিছিল সেয়া কবিসকলে ৰূপায়িত কৰাৰ প্ৰয়াস কৰিছিল। আধুনিক কবিতা বিচিত্ৰ প্ৰকৃতিৰ, প্ৰধান অসমীয়া কবিসকলৰ কবিতাৰ বৈশিষ্ট্যসমূহ অনুসৰণ কৰিও আধুনিক অসমীয়া কবিতাৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। আধুনিক অসমীয়া কবিতাৰ প্ৰকৃতার্থত জনক হেম বৰুৱাৰ কাব্যিক জগতখন অনুধাৱন

কৰিলে আমি দেখিম যে, মহাযুদ্ধকালীন পৰিৱেশ, শ্ৰমজীৱী জনতাৰ ছবি, যৌৱনৰ জয়ধ্বনি, আন্তৰ্জাতিকতাবোধ, ব্যক্তিগত প্ৰেম, বেদনাদগ্ধ নাৰীৰ অন্তৰৰ হাহাকাৰ তেওঁৰ কবিতাৰ উপজীব্য। আধুনিক জীৱনৰ নেতি আৰু মালিন্যই তেওঁৰ কবিতাত বাৰেবাৰে ভুমুকি মাৰিলেও শীতৰ কুঁৱলী ভেদি ওলাই অহা মিঠা এজাক ৰ'দৰ দৰে এনেবোৰ স্তৱকে আমাৰ অন্তৰত সততে দোলা দি থাকে—

"সোণপাহি,
তুমি আহিছা, আহা। তোমাৰ হাতৰ কাঁচিত
হেজাৰ যুগৰ শান। উজায়ে আহিছে চৰা নাওখনি
উজায়ে আহিছে টিঙা" (জাৰৰ দিনৰ সপোন)

প্ৰথম মহাযুদ্ধৰ সময়ত ইউৰোপ আৰু আমেৰিকাত সূচনা আন্তৰ্জাতিকতাবোধৰ প্ৰতি হেম বৰুৱাৰ সঁহাৰি আছিল আন্তৰিক। আফ্ৰিকাৰ সংগ্ৰামী জনতাৰ স'তে কবিয়ে অন্তৰঙ্গতা স্থাপন কৰিছিল।

গাঁথনিগত দিশৰ পৰা সুদৃঢ় হেম বৰুৱাৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ কবিতা হ'ল *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটো। এই কবিতাটিতে এলিয়টৰ আৰ্হিত *কল্পনাৰ শৃঙ্খলা* (Logic of Imagination)ৰ ৰূপায়ণ ঘটে। কবিতাটোত কেইবাটাও পৰোক্ষ উল্লেখ আছে। হেম বৰুৱাৰ *মমতাৰ চিঠি* এটি সকলোৰে পৰিচিত কবিতা। ইয়াত অনুভূতিৰ তীব্ৰতা কথিত ভাষাৰ মাধ্যমত মূৰ্ত হৈছে।

যোৱা শতিকাৰ চল্লিশৰ দশকৰ পৰা কবিতা চৰ্চা কৰি অহা নৱকান্ত বৰুৱা [1926–2002]ৰ বহল পটভূমিত গঢ় লৈ উঠা কবিতাৰ জগতখন নিঃসন্দেহে তেওঁৰ কাব্যিক মহত্ত্বৰ স্বাক্ষৰ। অগ্ৰগণ্য আধুনিক অসমীয়া কবি হিচাপে তেওঁৰ স্বীকৃতি সময়ৰ কষটি শিলত সংশয়াতীত। নগৰ-চেতনা, নিঃসঙ্গতাবোধ, নেতি আৰু নৈৰাজ্যবোধ, আত্মিক অৱক্ষয়, আন্তৰ্জাতিকতাবাদ, পাৰ্থিৱ জীৱনৰ আদৰ্শৰ জয়ধ্বনি, মৃত্যু-চেতনা, ঈশ্বৰ এইবোৰ বিষয়েই নৱকান্ত বৰুৱাৰ কবিতাৰ জগতখন ৰচনা আৰু সমৃদ্ধ কৰিছে।

কলিকতাৰ প্ৰবসুৱা জীৱনে নৱকান্ত বৰুৱাৰ নগৰ-চেতনা গঢ় দিছিল। ভয় আৰু আশ্বাসৰ জটিল উৎকণ্ঠা, বিচ্ছিন্নতাবোধ মূৰ্ত কৰি নৱকান্ত বৰুৱাৰ কবিতাত মহানগৰ এটি ৰূপক হৈ পৰিছিল—

"জীৱন জীয়াই থাকে। তথাপি জীয়াই থাকে
আৰু থাকে জীৱিকাৰ গলিৰ সাঁথৰ
অমৃতৰ পুত্ৰ আমি
মৃত্যু-স্নাতা হে মহানগৰ" (হে অৰণ্য হে মহানগৰ)

—জীৱন আৰু মহানগৰ একাকাৰ হৈ গৈছে, ইটোত সিটো আৰোপিত হৈছে।

নৱকান্ত বৰুৱাই *সম্ৰাট্ত মহাভাৰতক* আধুনিক জীৱনৰ এলিয়ট-কথিত বস্তুগত সহগ হিচাপে ৰূপায়িত কৰিছে। ধৃতৰাষ্ট্ৰৰ চেতনাত আধুনিক জীৱনৰ ক্লীৱত্বৰ অনুৰণন শুনিবলৈ পোৱা যায়।

অজিৎ বৰুৱাৰ কিছুমান পদ্য আৰু গান 1982 চনত ছপা হৈ ওলালেও 1948–49 এই সময়ছোৱাত তেওঁ *মন-কুঁৱলী সময়, দুখৰ কবিতা* লিখি উলিওৱাটো আধুনিক অসমীয়া কবিতাৰ ইতিহাসৰ এটি গুৰুত্বপূর্ণ কথা। কিছুমান পদ্য আৰু গানৰ বাহিৰে ব্রহ্মপুত্র ইত্যাদি পদ্য [1989], আৰু কিছুমান পদ্য আৰু গান [2001] এই দুখন কাব্যগ্রন্থৰ জৰিয়তে বিষয় আৰু আঙ্গিকৰ ক্ষেত্রত অভূতপূর্ব সিদ্ধি লভালৈ চাই অজিৎ বৰুৱাক আধুনিক অসমীয়া কবিতাৰ বিৰল প্রতিভা আখ্যা দিব পাৰি। অজিৎ বৰুৱাৰ *মন-কুঁৱলী সময়* কবিতাটো সময়ৰ ধাৰণা, এলিয়ট-কথিত কল্পনাৰ শৃঙ্খলা, এলিয়টৰ কবিতাত নোপোৱা গাঁৱৰ বুকুত গঢ় লৈ উঠা নিঃসঙ্গতাবোধ আৰু কথ্য ভাষাৰ ব্যৱহাৰেৰে প্রাণৱন্ত। টি. এছ. এলিয়টৰ দৰেই কবিতাত এটা ভাবৰ পৰা আন এটা ভাবৰ মাজৰ ব্যৱধান ৰাখি এই শূন্য স্থানৰ মাজত দলং নির্মাণৰ বাবে অজিৎ বৰুৱাই পঢ়ুৱৈক আমন্ত্রণ জনায়।

বিষয়-ব্যাপ্তি-গভীৰতা, প্রতীকবাদ-চিত্রকল্পবাদৰ সফল প্রয়োগ, চিত্রকলাৰ সৈতে সম্পর্ক স্থাপন আৰু অসমীয়া ভাষাৰ ন-ন সম্ভাৱনামুকলি কৰি নীলমণি ফুকন [1933–] আধুনিক অসমীয়া কবিতাৰ অন্যতম অবিস্মৰণীয় ব্যক্তিত্ব হিচাপে পৰিগণিত হৈছে। একপ্রকাৰৰ আত্মিক বিষণ্ণতাই নীলমণি ফুকনৰ কবিতা সিক্ত কৰিছে— কবিৰ বিষণ্ণ চৰিত্র (Nature) ই জাপানী কবিতা, জার্মান কবি পল ছেলান [1920–1970] ৰ কবিতাৰ সৈতে আত্মীয়তা বিচাৰি পাইছে। মৃত্যু বিভিন্ন আয়তন লৈ ফুকনৰ কবিতাত প্রকাশিত হৈছে।

চিত্রকল্পবাদী কবি নীলমণি ফুকনে পশ্চিমীয়া চিত্রকল্পবাদী আন্দোলনৰ দ্বাৰা প্রত্যক্ষভাৱে আলোড়িত নহৈও মূলতঃ কেতবোৰ অৱচেতনৰ ভাব চিত্রকল্পৰ জৰিয়তে প্রকাশ কৰিছে। ফুকনে প্রয়োগ কৰা চিত্রকল্পসমূহক গতিশীল চিত্রকল্প আখ্যা দিব পাৰি। সাধাৰণতে 'গতি' আৰু 'চিত্রকল্প' দুয়োটিয়ে একেলগে পঢ়ুৱৈৰ সঁহাৰি বিচাৰে।

প্রতীকবাদী শৈলীৰ প্রয়োগে নীলমণি ফুকনৰ কবিতাক নতুন আয়তন প্রদান কৰিছে। *বুৰঞ্জী* প্রতীকবাদী কবিতাৰ সার্থক উদাহৰণ। ইয়াত যি এক যাত্রাৰ কথা কোৱা হৈছে— সেয়া স্বপ্নাতুৰ শিল্পীৰ অভিযান মাথোন, ইয়াৰ কোনো ঐতিহাসিক তাৎপর্য নাই। কল্পলোক এখন ৰচনাৰ বাবে কবিয়ে বুৰঞ্জীক অভিনৱ দৃষ্টিৰে চাইছে। ৰূপকাত্মক কাব্যত সচৰাচৰ থকা কার্যকাৰণৰ সম্পর্ক বা বৈপৰীত্য প্রতীকবাদী কাব্যত নাথাকে। ব্যক্তি আৰু জগতৰ দ্বন্দ্বই সামাজিক ঐক্য বিনষ্ট কৰা কথাটো ৰূপকাত্মক কাব্যৰ এটি উপজীব্য। প্রতীকবাদী কাব্যত এখন কল্পনাৰ জগত ৰচনাৰে বাস্তৱ পৃথিৰীৰ এই দ্বন্দ্বৰ নিৰসন ঘটে। কবিতাটোত ৰেল্টাৰ পেটাৰ-কথিত জীৱনৰ পৰিৱর্তনশীলতা মূর্ত হৈছে—

"আমি আকৌ ধোঁৱা আৰু নিশাৰ মাজেৰে
ধীৰে ধীৰে নাও মেলি দিলো।" (বুৰঞ্জী)

বীৰেশ্বৰ বৰুৱাৰ আগছোৱাৰ কোনো কবিতাত বোডলেয়াৰ [1821–1967] ৰ প্রেৰণাত আধুনিক জীৱনৰ অৱসাদ ক্লান্তি নৈৰাশ্য মূর্ত হৈ উঠিল—

"সমুদ্রৰ কোলাহল দগ্ধৰেখা টোৰে টোৰে উত্তপ্ত বিষাদ
অন্তহীন খেও মোৰ। ৰুদ্ধশ্বাস দিশহাৰা অৱসন্ন প্রাণ।

ধুমুহাৰ কোব শুনো। আঁতৰিছে জ্যোতিৰেখা।
ক্ষণে ক্ষণে জীৱন বিস্বাদ।
আকাশত ব্যর্থ-মৃগয়াৰ কোলাহল আৰু মৃত্যুৰ নিচান।" (নির্জন নাবিক)

সূর্য্য ৰশ্মিৰে বিধৌত অন্তৰেৰে বক্তাই মৃত্যুক আদৰিবলৈ প্রস্তুত। মন কৰিবলগীয়া যে, বোডলেয়াৰৰ ভয়েজিঙৰ আর্হিতে বীৰেশ্বৰ বৰুৱায়ো কবিতাটোৰ নামকৰণ কৰিছে *নির্জন নাবিক*।

হৰেকৃষ্ণ ডেকাৰ *স্বৰবোৰ* [1972], *ৰাতিৰ শোভাযাত্রা* [1982], *আন এজন* [1986] আৰু *ভালপোৱাৰ বাবে এযাৰ* [2003] —এই চাৰিখন কাব্যগ্রন্থত আধুনিক কবিৰ বিষয়বস্তুগত (ব্যক্তিগত দ্বন্দ্ব, দ্বিধা আৰু সংশয়ৰ নৈর্ব্যক্তিক ৰূপায়ণ) আৰু আঙ্গিকগত (প্রতীকবাদী শৈলী, কথ্য ভাষাৰ ব্যৱহাৰ) আদি লক্ষণসমূহ পৰিস্ফুট হৈছে। ডেকাৰ কবিতাত বলিষ্ঠ মনন আৰু ব্যক্তিগত অনুভূতিৰ ভাৰসাম্যযুক্ত ৰূপ প্রত্যক্ষ কৰিব পাৰি। হৰেকৃষ্ণ ডেকাৰ *সমুদ্রভীতি*ত নিৰলঙ্কাৰ ভাষাৰে পটুৱৈৰ মনত সমুদ্রৰ ৰহস্যময়তাৰ অভিঘাত প্রদান কৰিবলৈ বিচৰা হৈছে। হৰেকৃষ্ণ ডেকাৰ প্রথমখন কবিতা সঙ্কলন *স্বৰবোৰৰ* অন্তর্ভুক্ত *স্বৰবোৰ, জোনাক, উত্তৰ পুৰুষ* কবিতাত প্রতীকবাদী শৈলীৰ সফল প্রয়োগ লক্ষ্য কৰা যায়। অশৰীৰী স্বৰবোৰক ইন্দ্রিয়গ্রাহ্য ৰূপ প্রদান কৰি কবিয়ে অর্থক বহুমাত্রিকতা দান কৰিছে—

"ৰ'দৰ নিমজ আঙুলিবিলাকে তাক চুই যায়। সি সাৰ পায়।
ওচৰৰ কোঠালিবিলাকত শব্দবিলাকে খেলি-মেলিকৈ খুন্দা খায়।
তাৰ কোঠাৰ বেৰত খুন্দিয়ায়।
শব্দবিলাকে এটা বন্ধ কফিনৰ ভিতৰত তাক শুৱাই থয়।" (স্বৰবোৰ)

হীৰেন ভট্টাচার্যৰ কবিতা এলিয়ট-কথিত 'কবিৰ নিজৰ সৈতে কথোপকথন', এই অর্থতেই তেওঁ আধুনিক অসমীয়া দুগৰাকী কবিৰ এগৰাকী প্রধান গীতিধর্মী আবেগৰ কবি, আনগৰাকী নির্মলপ্রভা বৰদলৈ। বাখতিনে কৈছিল যে, গীতিকবিসকলৰ কবিতাত ধ্বনিত একক সুৰ কবিজনৰ অন্তর্লীন ঐক্যতানৰ অভিব্যক্তি মাথোন।

*স্তম্ভিত বিদ্যুৎ*ত উন্মাদনা আৰু স্তব্ধতাৰ বৈপৰীত্য পৰিমিত শব্দৰ জৰিয়তে পৰিস্ফুট হৈছে। *"ৰ'হাগৰ স্তব্ধতাতঁলাগি আছে মোৰ মৌন ওঁঠ"*ৰ জৰিয়তে প্রেমৰ নিবিড় ভাবৰ প্রকাশ কৰিছে আৰু *"নক্ষত্র তৰঙ্গেৰে যেনঁজ্বলি উঠিছে ঃ শিৰাই শিৰাইঁমোৰ স্তম্ভিতঁবিদ্যুৎ"*— এই স্তৰকটি ইন্দ্রিয়জ প্রেমৰ দ্যোতক। *বাঁহীৰ মাত, প্রেমৰ কবিতা* আৰু *সংহত শব্দ* —এই তিনিটা কবিতাত প্রেমৰেই বিভিন্ন অভিব্যক্তি ঃ *বাঁহীৰ মা*তত নিদ্রায়িত প্রেমৰ জাগৰণ, *প্রেমৰ কবিতা*ত আনন্দ-বেদনাৰ যুগপৎ উপলব্ধি আৰু *সংহত শব্দ*ত মিতভাষণেৰে প্রেমৰ গভীৰতা ৰূপায়িত হৈছে। প্রেমৰ বিভিন্ন মুড প্রকাশৰ বেলিকা কবিয়ে ভাষাৰ নতুন নতুন সম্ভাৱনা মুকলি কৰিবলৈ যত্ন কৰিছে।

এইসকল কবিৰ উপৰিও হৰি বৰকাকতি, মহেন্দ্র বৰা, হীৰেন্দ্রনাথ দত্ত, ৰবীন্দ্র সৰকাৰ আদি ভালেমান কবিয়ে আধুনিক অসমীয়া কবিতাৰ ধাৰাটো সমৃদ্ধ কৰিছে। তেওঁলোকৰ লগতে তৰুণ প্রজন্মৰ জ্ঞান পূজাৰী, আনিছ উজ জামানকে ধৰি ভালেমানে এই কাব্যধাৰা অক্ষুণ্ণ ৰাখিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ অসমীয়া আধুনিক কবিতাৰ চমু পৰিচয় আগবঢ়াওক।
[150টা শব্দৰ ভিতৰত লিখক)

১০.৫ *পোহৰতকৈ এন্ধাৰ ভাল*

১০.৫.১কবি পৰিচয়

হেম বৰুৱাৰ জন্ম 1915 চনৰ 22 এপ্রিল তাৰিখে। তেওঁৰ পিতৃৰ নাম বিনন্দীৰাম শর্মা বৰুৱা আৰু মাতৃৰ নাম পদ্মালোচনী দেৱী। তেওঁৰ জন্ম হয় তেজপুৰত। তেওঁ 1932 চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। 1936 চনত ইংৰাজীত অনার্ছসহ বি.এ পৰীক্ষা পাছ কৰে আৰু 1938 চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। স্নাতকোত্তৰ পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত কিছুদিনলৈ তেওঁ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত ইংৰাজী বিভাগত অধ্যাপনা কৰি যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত যোগ দিয়েগৈ। মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা আন্দোলনে তেওঁক প্রভাৱিত কৰিছিল। ফলত 1942 চনত সমগ্র ভাৰত জুৰি মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা সংগ্রামত তেওঁ যোগ দি এবছৰকাল কাৰাবাস খাতিবলগীয়া হৈছিল। কাৰাবন্দীৰ জীৱন কটাওঁতে তেওঁ অসমৰ ভালেকেইজন স্বাধীনতা সংগ্রামীক লগ পাইছিলে। তেওঁলোকৰ ভিতৰত লোকপ্রিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস, দেৱেশ্বৰ শর্মা, গড়মূৰীয়া সত্রাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী আদি অন্যতম আছিল। কাৰাবাস কাল তেওঁ কিতাপ পঢ়িয়েই কটালে। কাৰাগাৰৰ পৰা ওলাই অহাৰ পিছত তেওঁ গম পালে যে ইতিমধ্যে তেওঁ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপনাৰ চাকৰিটো হেৰুৱাইছিল। তেওঁ বেছিদিনলৈ চাকৰি নোহোৱাকৈ বহি থাকিবলগীয়া নহ'ল। 1944 চনত তেওঁ গুৱাহাটীত নতুনকৈ খোলা বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনাৰ সুযোগ পালে। সময়ত তেওঁ সেই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বও গ্রহণ কৰে। 1946 চনত তেওঁ ছ'চিয়েলিষ্ট দলত যোগ দিয়ে। 1957 চনত তেওঁ লোকসভাৰ সদস্য নির্বাচিত হয়। এগৰাকী কৃতবিদ্য শিক্ষক তথা পাৰদর্শী অধ্যক্ষ হিচাপে তেওঁ ইতিমধ্যে নিজৰ পৰিচয় দিছিল। এইবাৰ সাংসদ হিচাপেও তেওঁ সর্বভাৰতীয় ৰাজনীতিত নিজকে এগৰাকী ৰাজনৈতিক চিন্তানায়ক হিচাপে প্রতিষ্ঠা কৰিবলৈ সুযোগ লাভ কৰিলে। তেওঁ তিনিবাৰ সাংসদ হিচাপে নির্বাচিত হৈছিল আৰু সেই কালছোৱাত বাগ্মিতাৰ গুণেৰে ৰাজনৈতিক চিন্তা উত্থাপন কৰি সকলোৰে সমাদৰ লাভ কৰিছিল। আনকি দেশৰ প্রধানমন্ত্রী জৱাহৰলাল

নেহৰুৱেও তেওঁৰ শলাগ লৈছিল। তেওঁ 1971 চনত নিৰ্বাচনত জিকিব নোৱাৰি প্ৰত্যক্ষ ৰাজনীতিৰ পৰা আঁতৰি আহে। পাছত প্ৰায় এবছৰ গুৱাহাটীৰ পৰা ওলোৱা *Assam Express* নামৰ ইংৰাজী কাকত এখনৰ সম্পাদনাৰ কামত লাগে। হেম বৰুৱা 1972 চনৰ অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল। 1977 চনৰ 9 এপ্ৰিল তাৰিখে এইজন মহান ব্যক্তিৰ মৃত্যু ঘটে।

হেম বৰুৱাই কেইবাখনো কবিতা পুথি ৰচনা কৰাৰ উপৰি কেইবাখনো প্ৰবন্ধৰ কিতাপ, ভ্ৰমণ কাহিনী ৰচনা কৰিছিল। তদুপৰি ইংৰাজী ভাষাতো তেওঁ ভালেকেইখন গ্ৰন্থ প্ৰকাশ কৰিছিল। তেওঁৰ কাব্যপুথিকেইখন হ'ল— *বালিচন্দা* [1959], *মন-ময়ূৰী* [1965], *হেম বৰুৱাৰ কবিতা* /প্ৰবন্ধ পুথিকেইখনৰ নাম হ'ল— *আধুনিক সাহিত্য* [1950], *সানমিহলি* [1957], *সাহিত্য আৰু সাহিত্য* [1962], *সাহিত্য আৰু সমস্যা* [1978], *এইগাঁও এইগীত* [1961], *আঁচু ফুল* [1964], *ডাক-পখিলী* [1968], *ব'হাগতে পাতি যাওঁ বিয়া* [1969], *পছোৱাৰ ৰেঙণি* [1969], *স্মৃতিৰ পাপৰি* [1970], *ছিন্নমূল* [1973], *তলসৰা* [1976], *বিয়াল্লিছৰ গণবিপ্লৱত অসম* [1947], *সত্য আৰু হিংসা ঃ গান্ধীজী* [1971]। হেম বৰুৱাৰ ভ্ৰমণ কাহিনী লেখক হিচাপেও প্ৰসিদ্ধ। তেওঁ লিখা ভ্ৰমণ কাহিনীসমূহ হ'ল— *সাগৰ দেখিছা* [1954], *ৰঙা কৰবীৰ ফুল* [1959], *ইজৰাইল* [1965], আৰু *মেকং নৈ দেখিলোঁ* [1967]¼ইংৰাজী ভাষাত লিখা পুথিকেইখনৰ নাম হ'ল— *The August Revolution of Assam* (1946), *The Red River and The Blue Hills* (1954), *Fairs and Festivals of Assam* (1956), *Modern Assamese Poetry* (1960), *Idle Hours* (1961), *Assamese Literature* (1962), *Folk Songs of India* (1965), *Lakshminath Bezbarua* (1967)।

অসমীয়া কবিতাৰ জগতত হেম বৰুৱাৰ এখন সুকীয়া আসন আছে। হেম বৰুৱাক আধুনিক অসমীয়া কাব্যৰীতিৰ প্ৰবৰ্তক বোলা হয়। বিংশ শতিকাৰ চল্লিশৰ দশকৰ পৰাই বৰুৱাৰ কাব্যিক প্ৰতিভাৰ উন্মেষ হয়। 1940 চনত তেওঁৰ *বান্দৰ*নামৰ আধুনিক সুৰীয়া কবিতাটি প্ৰকাশ পাওঁতেই অসমীয়া কবিতাই ৰোমাণ্টিকতাৰ পৰা আঁতৰি অহাৰ বুজ পোৱা গৈছিল। *জয়ন্তী*, *পছোৱা*, *আৱাহন* আৰু *ৰামধেনু* আদি সাহিত্য পত্ৰিকাই হেম বৰুৱাৰ কবিতাৰ পৃষ্ঠপোষকতা কৰিছিল। উল্লেখযোগ্য যে, *জয়ন্তী* আলোচনীতে *পূজা*, *গুৱাহাটী-1944*, *মৰুভূমি* আদি কবিতাৰে কাব্য-জীৱনৰ পাতনি মেলা এইজন কবিয়ে *পছোৱা* আৰু *ৰামধেনু*ৰ পাততে সুপ্ৰতিষ্ঠিত হয়।

হেম বৰুৱাৰ প্ৰধান কাব্যগ্ৰন্থ দুখন। প্ৰথমখন *বালিছন্দা* [1959] আৰু দ্বিতীয়খন *মন-ময়ূৰী* [1967]। এই দুখন সঙ্কলনৰ কবিতাসমূহৰ লগতে অপ্ৰকাশিত আনবোৰ কবিতা একেলগে সংগ্ৰহ কৰি 1986 চনত *হেম বৰুৱাৰ কবিতা* নামেৰে তেওঁৰ কবিতা সমগ্ৰ প্ৰকাশ পাইছে। বৰুৱাৰ কবিতাত সাম্যবাদৰ ধ্বনি, নিষ্পেষিতৰ প্ৰতি দৰদ বৰ

প্ৰবলভাবে ব্যঞ্জিত হৈছে। মহাযুদ্ধকালীন পৰিৱেশ, শ্ৰমজীৱী জনতাৰ ছবি, যৌৱনৰ জয়ধ্বনি, আন্তৰ্জাতিকতাবোধ, ব্যক্তিগত প্ৰেম, বেদনাদগ্ধ নাৰীৰ অন্তৰৰ হাহাকাৰ তেওঁৰ কবিতাৰ উপজীব্য।

হেম বৰুৱা সমাজ সচেতন, ৰাজনৈতিক কবি। সমালোচক মহেন্দ্ৰ বৰাৰ ভাষাত 'জনতাৰ কবি'। তেওঁৰ কবিতাত সমাজ সচেতনতা আৰু ৰাজনৈতিক ভাবধাৰাৰ সুস্পষ্ট প্ৰকাশ ঘটিছে। কবিয়ে জনতাৰ অৰ্থনৈতিক-সামাজিক মুক্তিৰ বাবে সংগ্ৰামৰ পোষকতা কৰে। মাৰ্ক্সীয় দৰ্শনক তেওঁ শ্ৰদ্ধা কৰে; কিন্তু তেওঁ যথাৰ্থ সাম্যবাদী কবি নহয়। তেওঁৰ কবিতাত শ্ৰেণী সংগ্ৰামৰ প্ৰণালীবদ্ধ চৰ্চা পাবলৈ নাই।

হেম বৰুৱাৰ কবিতাৰ প্ৰকাশভঙ্গী সাৱলীল। কেতিয়াবা স্পন্দিত গদ্য, কেতিয়াবা গদ্য আৰু মুক্তকৰ সানমিহলি ৰূপ, মাজে মাজে সংস্কৃত সাহিত্যৰ উল্লেখ তেওঁৰ প্ৰকাশ-ভঙ্গীৰ বৈশিষ্ট্য। তেওঁ টি. এছ. এলিয়টৰ পৰা কবিতাৰ ভাব আৰু আঙ্গিক গ্ৰহণৰ চেষ্টা কৰিছিল। চিত্ৰকল্প নিৰ্মাণতো বৰুৱা সিদ্ধহস্ত আছিল। যেনে—

"প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে
থৰে থৰে পৃথিৰী কঁপিছে আকাশৰ
বেঙুনীয়া জোনটো কাগজৰ নাও যেন লাগে।
... ...
মূৰত এইখন কিয় বাৰু বগা ওৰণি?
জোনটোক সদায়ে মোৰ
বিধবা বিধবা যেন লাগে।" —ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ হেম বৰুৱাৰ কৰ্মজীৱনৰ চমু লেখ আগবঢ়াওক।
[250টা শব্দৰ ভিতৰত লিখক)

১০.৫.২ কবিতাটিৰ মূল পাঠ

পোহৰতকৈ এন্ধাৰ ভাল

সময়ৰ বালুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই। আমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল।

হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালিপাহিত
দুষ্মন্তৰ চুমাৰ চেকা। কোবিয়াত জৰাসন্ধৰ কঙ্কাল।
এছিয়াৰ আকাশত আগুৰি শগুণৰ জাক!

আমি জীয়াই আছো যুগৰ সীমান্তত
প্ৰাচীন নাৱিকৰ জঁকা। কালিদাস, তুমি কোন
অলকাৰ পলাতক কবি? ডাৱৰ দেখি উন্মাদ?
তোমাৰ কাব্য-বেদীত আমাৰ জীৱন-অৰ্চ্চনা
সৰি পৰা মদাৰৰ ফুল! (...গুৰুতো নেলাগ,
গোসাঁইতো নেলাগ, থাক তলে ভৰি সৰি...।

ৰজাই ৰজাই ৰণ-বিগ্ৰহ, তীখাৰ আস্ফালন। আমি খাণ্ডৱ-দাহ
অগ্নি-শিখাৰ পুৰি চাই হোৱা বিৰিঙাৰ ফুল ঃ আমাৰ
পিৰামিড হিৰোশ্বিমা, নাগাছাকি।

হেৰা শকুন্তলা তোমাৰ আঙুলিৰ অগ্নি-কণাৰে নুমাই দিয়া
ৰাজকাৰেঙৰ শলিতাৰ জুই। দুষ্মন্তৰ ভাগক স্বপ্ন।
পোহৰতকৈ এন্ধাৰ ভাল।

১০.৫.৩ কবিতাটিৰ বিষয়বস্তু

আধুনিক জীৱন চিন্তাৰ প্ৰতিফলনেৰে হেম বৰুৱাৰ কবিতা *পোহৰতকৈ এন্ধাৰ ভাল*-এ আজিলৈকে কাব্যমোদী অসমীয়া পাঠকৰ মন আকৃষ্ট কৰি আহিছে। সমাজ, শিক্ষা, ৰাজনীতি— এই ত্ৰি-বিষয়ত পাৰদৰ্শী এইগৰাকী অনুভৱী শিক্ষিক, লেখক আৰু ৰাজনীতিজ্ঞই নিজৰ অভিজ্ঞতাপুষ্ট জীৱনৰ সঞ্চিত অমূল্য সম্পদৰাশিক নিজৰ কাব্য সৃষ্টিসমূহ সিঁচৰতি কৰি দিছিল। দেশ তথা বিদেশৰ ইতিহাসৰ অধ্যয়নকাৰী তথা জ্ঞাতা হিচাপে এই অধ্যয়নশীল মনৰ কবিগৰাকীৰ ৰচনাত কেৱল প্ৰাচ্যই নহয়, বৰঞ্চ পাশ্চাত্য আৰু সমগ্ৰ এছিয়াই তেওঁৰ অধ্যয়নৰ ভিতৰুৱা আছিল।

আলোচ্য কবিতা *পোহৰতকৈ এন্ধাৰ ভাল*কবি হেম বৰুৱাৰ এক বিশিষ্ট কাব্য সৃষ্টি। ইয়াত কবিয়ে ইঙ্গিতময় ভাষাৰে অতীতৰ সমাজ আৰু জীৱন চিন্তাৰ লগত আধুনিক সমাজ আৰু ব্যক্তি চিন্তাৰ পাৰ্থক্য নিৰ্ণয় কৰিবলৈ প্ৰয়াস কৰিছে। তেওঁৰ সেই অন্বেষণৰ ফলাফলে কিছুমান উদ্বেকজনক চিত্ৰ প্ৰদৰ্শন কৰে য'ত অতীতৰ তুলনাত 'পৰিশীলিত' আৰু 'সংস্কাৰকৃত' আজিৰ আধুনিক সমাজখনে মানুহ আৰু মানৱীয়তাৰ বাবে কোনো ধৰণৰ আশাব্যঞ্জক বাণী কঢ়িয়াই অনা নাই। তাৰ পৰিৱৰ্তে আধুনিক সময়ৰ মানুহে প্ৰত্যক্ষ কৰিছে *উন্মাদ বাসনা*। এৰা, আধুনিক বিশ্বৰ তথাকথিত শক্তিশালী, নেতৃস্থানীয় ব্যক্তি কিছুমানৰ দম্ভ-অহঙ্কাৰে বিশ্বৰ হেজাৰ হেজাৰ, লাখ লাখ মানুহৰ জীৱনলৈ মৃত্যুৰ তাণ্ডৱ নমাই আনিছে। কবিতাটোৰ প্ৰথম স্তৱকত আমি পঢ়িবলৈ পোৱা—

"সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা
উন্মাদ বাসনা আমাৰ নাই। আমি
বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল।"

—এ হিটলাৰৰ প্ৰসঙ্গ উত্থাপন কৰিছে। হিটলাৰে পৃথিৱীৰ বুকুৰ পৰা ইহুদী জাতিটোক নিঃশেষ কৰি পেলোৱাৰ অভিযানত নামিছিল। বিশ্বৰ ইতিহাসত Holocaust বুলিলে আমাৰ মনলৈ অহা নাৎজী বাহিনীৰ কনচেন্‌ট্ৰেশ্বন কেম্প আৰু সেই নৰককুণ্ড-সমূহত বিভিন্ন পদ্ধতিৰ প্ৰয়োগেৰে জাৰ্মানী আৰু জাৰ্মান অধিকৃত অঞ্চলৰ ইহুদী বাসিন্দাসকলক পশুৰ দৰে জোঁটাই আনি সেই কনচেন্‌ট্ৰেশ্বন কেম্পসমূহত হত্যা কৰিছিল। তেতিয়াৰ জাৰ্মানীৰ একনায়কত্ববাদী শাসক এডল্‌ফ হিটলাৰে ক্ষমতাৰ ৰাগীত অন্ধ হৈ তথা সুসভ্য, সুসংস্কৃত, প্ৰতিভাশালী ইহুদী জাতিটোক পৃথিৱীৰ বুকুৰ পৰা সম্পূৰ্ণ নিঃচ্ছিন্ন কৰি বিশ্ব বিজয়ৰ স্বপ্ন লৈ জাৰ্মান জাতিটোক পৃথিৱীৰ একমাত্ৰ ক্ষমতাশালী, সংস্কৃতি-সম্পন্ন 'মহান জাতি' হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। জাতীয়তাবোধ প্ৰশংসনীয়। পিচে উগ্ৰ জাতীয়তাবাদ মুঠেও গ্ৰহণযোগ্য নহয়। ইতিহাসৰ বিভিন্ন সময়ৰ পৃষ্ঠাত চকু ফুৰালেই দেখিবলৈ পোৱা যাব যে উগ্ৰ জাতীয়তাবাদে দেশৰ অভ্যন্তৰীণ ভাগতেই হওক বা দুখন দেশৰ মাজতেই হওক তীব্ৰ সংঘাতৰ সূত্ৰপাত কৰি সমাজ বা দেশৰ সুখ-শান্তি-সমৃদ্ধি বিনষ্ট কৰে।হিটলাৰৰ উগ্ৰ জাতীয়তাবাদী ভাবধাৰাই মানৱতাবাদক নস্যাৎ কৰিছিল। তেওঁৰ অধীনস্থ নাৎজী বাহিনীয়ে নিৰ্দোষী ইহুদীসকলৰ ওপৰত চলোৱা বৰ্বৰ নিৰ্যাতনে সমগ্ৰ বিশ্বকে স্তম্ভিত কৰিছিল। মানৱতাৰ বিৰুদ্ধে তেনে অবৰ্ণনীয় আচৰণ গৰিহণাযোগ্য। অথচ প্ৰাচীন কালত আৰু মধ্যযুগৰ ইতিহাসতো আমি যুদ্ধ অভিযানৰ কথা পাওঁ। তেনে সময়ত মানুহে মানুহৰ প্ৰতি কৰা অত্যাচাৰৰ কথা লিপিবদ্ধ হৈছিল। পিচে সেই সময়ৰ তুলনাত আজিৰ সময় অধিক উন্নত, মানুহৰ চিন্তাধাৰাও অধিক মুক্ত আৰু পৰিশীলিত। এনে স্থলত হিটলাৰৰ তেনে আচৰণে আধুনিক সমাজক ইতিকিং কৰাৰ তুল্য হৈছে। সেইবাবে কবিয়ে আধুনিক সময়ৰ সভ্যতাক উন্নত বুলি ক'বলৈ ইতস্ততঃবোধ কৰিছে। সেইবাবে তেওঁৰ দৃষ্টিত 'পোহৰ' ৰূপী আধুনিক সময়ৰ তুলনাত 'এন্ধাৰ'ৰূপী পূৰ্বৰ শতিকাসমূহে ভাল আছিল য'ত আধুনিক বা 'পোহৰ'যুক্ত সময়ত দেখা মানৱতাৰ অপমৃত্যু দেখিবলৈ পোৱা নগৈছিল।

কবিয়ে বিশ্বৰ সৰ্বাঙ্গীন মঙ্গলৰ বাবে আশা কৰে। তেওঁৰ দৃষ্টিত পৃথিৱীৰ সকলো ৰাষ্ট্ৰ, সকলো সমাজ সম। সেইবাবে তেওঁ কোনো কোনো ৰাষ্ট্ৰই নাৰী জাতিৰ প্ৰতি কৰা অবিচাৰ আৰু শোষণকামী দৃষ্টিভঙ্গীৰ প্ৰতি বীতশ্ৰদ্ধ ভাব প্ৰকাশ কৰিছে। জটিল ৰাজনৈতিক সমীকৰণে কোৰিয়াক বিভক্ত কৰাত কবি মনে কান্দিছে। এই প্ৰসঙ্গত তেওঁ পৌৰাণিক কথাৰ আধাৰত সেই আধুনিক সময়ৰ 'দুৰ্ঘটনাটো' অভিব্যক্ত কৰিছে এইদৰে—

"হেৰা শকুন্তলা, তোমাৰ চকুৰ শেৱালিপাহিত দুষ্মন্তৰ চুমাৰ চেকা। কোৰিয়াত জৰাসন্ধৰ কংকাল। এছিয়াৰ আকাশত আগুৰি শগুণৰ জাক!"

মহাভাৰতৰ সেই পৌৰাণিক গাঁথাত জ্যেষ্ঠ পাণ্ডৱ যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞ সুকলমে সমাপন হোৱাৰ পথত যাতে মহাশক্তিশালী জৰাসন্ধই প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে কূটনীতি বিশাৰদ আৰু পাণ্ডৱৰ সুহৃদ শ্ৰীকৃষ্ণই এটা পৰিকল্পনা-

মৰ্মে দ্বিতীয় পাণ্ডৱ মহাবলী ভীমসেন আৰু তৃতীয় পাণ্ডৱ অৰ্জুনক লৈ জৰাসন্ধৰ ৰাজ্যত প্ৰৱেশ কৰি জৰাসন্ধক দ্বন্দ্ব যুদ্ধৰ বাবে আহ্বান জনালে। তেওঁলোক তিনিওগৰাকী স্নাতক ব্ৰাহ্মণৰ বেশত জৰাসন্ধৰ ওচৰত উপস্থিত হৈছিল। যুঁজ সদায় সম যোদ্ধাৰ মাজত অনুষ্ঠিত হ'ব লাগে। জৰাসন্ধই ভীমসেনক তেওঁৰ প্ৰতিদ্বন্দ্বী হিচাপে নিৰ্বাচন কৰিছিল। মল্লযুঁজত কোনেও কাকো হৰুৱাব পৰা নাছিল। তেতিয়া শ্ৰীকৃষ্ণই তৃণ এডাল দুচিৰা কৰি ভীমসেনৰ ফালে চাই ইংগিতেৰে কিবা জনালে। তেতিয়া ভীমে জৰাসন্ধক নিজৰ আয়ত্তলৈ আনি তেওঁৰ শৰীৰটো সমানে দুফাল কৰি যুদ্ধভূমিৰ দুটা ফালে দলিয়াই দিলে। কিন্তু আশ্চৰ্যজনকভাবে জৰাসন্ধৰ শৰীৰৰ টুকুৰা দুটা পুনৰ জোৰা খাইছিল। আৰু তেওঁ জীৱিত হৈ উঠিছিল। অৱশেষত শ্ৰীকৃষ্ণৰ পৰামৰ্শত ভীমে জৰাসন্ধৰ শৰীৰটো দুফাল কৰি দুটা ফাল যুদ্ধক্ষেত্ৰৰ দুই বিপৰীত দিশে এনেভাবে দলিয়াই দিয়ে যাতে শৰীৰৰ সেই দুটা ফাল সমানে জোৰা লাগিব নোৱাৰে। তেনেকৈ জৰাসন্ধৰূপী পাতকী ৰজাক নিৰ্মূল কৰি দুই পাণ্ডৱে জৰাসন্ধই আবদ্ধ কৰি ৰখা ৰজাসকলক মুক্ত কৰি তেওঁলোকক মিত্ৰভাবে যুধিষ্ঠিৰৰ অনুগত কৰাবলৈ সমৰ্থ হৈছিল। কোৱিয়াৰ পৰিবৰ্তিত ৰাজনৈতিক দৃশ্যপটৰ কথা ক'বলৈ যাওঁতে প্ৰতীকাত্মকভাবে ব্যৱহাৰ কৰা এই পৌৰাণিক গাথাই প্ৰসঙ্গটো অধিক মনোজ্ঞ কৰি তুলিছে।

আমি নিজকে আধুনিক সময়ৰ সংস্কৃতিসম্পন্ন মানুহ বুলি গৰ্ব কৰো। অথচ আমাৰ সমাজ আৰু ৰাষ্ট্ৰৰ ৰৰমূৰীয়াসকলে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে সমাজত অশান্তি-অসূয়াৰ বিষবাষ্প বিয়পাই দিবলৈ কুণ্ঠাবোধ নকৰে। সেই স্বাৰ্থপৰতাই যেতিয়া বিৰাট আকাৰ ধাৰণ কৰে তেতিয়া সি সাম্ৰাজ্যবাদ আৰু ঔপনিবেশিকতাবাদ বিশেষণ পায়। সেই প্ৰক্ৰিয়াত বহুতো জাতিগোষ্ঠী, ক্ষুদ্ৰ জনগোষ্ঠীৰ মান-মৰ্যাদা ভূলুণ্ঠিত হয়— সাম্ৰাজ্যবাদী আৰু ঔপনিৱেশিকতাবাদ প্ৰভু-দালালহঁতৰ হাতত। এনেকি বহুত উন্নত, সভ্য জাতি বা ৰাষ্ট্ৰই বিশ্বব্যাপি আতঙ্ক সৃষ্টিকাৰী ধ্বংসাত্মক অস্ত্ৰ প্ৰয়োগ কৰিবলৈকো ইতস্ততঃবোধ নকৰে। নাগাছাকি আৰু হিৰোশ্বিমা মানুহৰ তেনে দুৰ্লংঘনীয় উচ্চাকাংক্ষা আৰু অবিবেচক দৃষ্টিভঙ্গীৰ নাৰকীয় ফলাফল। শক্তিশালী জাতিসমূহে এইদৰে আধুনিক সময়ত ত্ৰাসৰ সঞ্চাৰ কৰি সৰ্বসাধাৰণক জীয়াতু ভুগাইছে।

সচেতন কবিয়ে বৌদ্ধিক সমাজ আৰু সৃষ্টিশীল লেখকসকলকো আহ্বান জনাইছে যাতে তেওঁলোকে সামাজিক দায়বদ্ধতা বুলি ভাবি নিজৰ কৰ্তব্য স্থিৰ কৰে আৰু সমাজৰ সৰ্বাঙ্গীন কল্যাণৰ বাবে কাম কৰে। নাৰী সমাজকো তেওঁ জাগ্ৰত হ'বলৈ আহ্বান জনাইছে যাতে তেওঁলোকে শোষণকাৰী, উৎপীড়ক শক্তিক প্ৰতিহত কৰিব পাৰে। তেওঁলোকে অবলা নহৈ সবলা নাৰীৰূপে 'দুষ্মন্ত'ৰূপী কামুক, অত্যাচাৰী, উৎপীড়ক পুৰুষ শ্ৰেণীক চিনাক্ত কৰি নিজকে সুৰক্ষিত কৰিবলৈ সমৰ্থবান হয়। কবিতাৰ শেষত কবিয়ে উদাত্তভাবে কোৱা—

"হেৰা শকুন্তলা তোমাৰ আঙুলিৰ অগ্নি-কণাৰে নুমাই দিয়া
ৰাজকাৰেঙৰ শলিতাৰ জুই। দুষ্মন্তৰ ভাগক স্বপ্ন।
পোহৰতকৈ এন্ধাৰ ভাল।"

পংক্তিকেইটিয়ে কেৱল যে নাৰীসকলকহে সামৰিছে এনে নহয়, বৰঞ্চ তেওঁৰ এই আহ্বানে সমাজৰ সমূহ লাঞ্ছিত, শোষিত, বঞ্চিত জনসমুদায়ক ধনীক বা শোষক শ্রেণীৰ বিৰুদ্ধে সন্মিলিতভাৱে থিয় হ'বলৈ প্রেৰিত কৰিছে।

আধুনিক অসমীয়া কাব্যৰ সাধনাস্থলত নিজৰ আন্তৰিক সাধনাৰ দ্বাৰা কাব্যসুলভ সৃষ্টিশীল প্রতিভা, মেধা, সূক্ষ্ম পর্যবেক্ষণ ক্ষমতা,সংবেদনশীলতা, ইতিহাস চেতনা আৰু সামাজিক দায়ৱদ্ধতাৰ ভাব দৃষ্টান্তমূলকভাবে দাঙি ধৰা কবিগোষ্ঠীৰ ভিতৰত হেম বৰুৱা এগৰাকী লেখৰ কবি। ব্যক্তিবিশেষে জীৱনটোক প্রত্যক্ষ কৰা দৃষ্টিভঙ্গী ভিন্ন ভিন্ন হয়। সেই অনুৰূপে ব্যক্তিবিশেষে জীৱনক লৈ হোৱা উপলব্ধি বা বোধো সুকীয়া হয়। বিশেষ ব্যক্তি হিচাপে হেম বৰুৱাই ইতিহাসৰ এটা বিশেষ কালক প্রতিনিধিত্ব কৰিছিল। [22 এপ্রিল, 1915–9 এপ্রিল, 1977]। হেম বৰুৱাই তেওঁৰ জীৱদ্দশাত সমগ্র বিশ্বকে আলোড়িত কৰি থৈ যোৱা দুয়োখন বিশ্বযুদ্ধৰে প্রত্যক্ষদর্শী আছিল। তেওঁৰ শিশুমনত প্রথম বিশ্বযুদ্ধৰ পৰোক্ষ স্মৃতিসমূহে কিছু পৰিমাণে প্রভাৱিত কৰিছিল যদিও যৌৱনৰ সন্ধিস্থলত সমগ্র বিশ্বৰ লগতে অসম প্রান্তয়ো বাৰুকৈ প্রভাৱ অনুভৱ কৰা দ্বিতীয় বিশ্বযুদ্ধৰ স্মৃতি অধিক সজীৱ আছিল। সমসাময়িক সমাজ, অর্থনীতি আৰু মানৱীয় মূল্যবোধত দ্বিতীয় বিশ্বযুদ্ধৰ বিধ্বংসী প্রভাৱে কুঠাৰাঘাত কৰিছিল। জীৱনৰ বর্ণাঢ্য ৰং বোটলা আধুনিক কবিকুলৰ চিন্তা আৰু চেতনাৰ জগতত দ্বিতীয় বিশ্বযুদ্ধই গভীৰ সাঁচ বহুৱাইছিল। মানৱীয় আবেগ-অনুভূতি আৰু সমাজৰ প্রতি দায়বদ্ধতাৰ ভাব পোষণ কৰা শিল্পী, কবি-সাহিত্যিকসকলৰ মন-মগজুত এই প্রভাৱে নতুন সৃষ্টিৰ বাট মোকলাই নিদিয়াকৈ নাথাকিল। অসমীয়া কবি হেম বৰুৱাও ইয়াৰ ব্যতিক্রম নাছিল।

আধুনিক অসমীয়া কাব্যসাধনাত ৰত কবিকুলৰ ভালেকেইগৰাকী ইংৰাজ কবি টি. এছ. এলিয়টৰ দ্বাৰা প্রত্যক্ষভাৱে অথবা পৰোক্ষভাৱে প্রভাৱিত। হেম বৰুৱাও ইয়াৰ ব্যতিক্রম নাছিল। তেওঁৰ কবিতা *পোহৰতকৈ এন্ধাৰ ভাল, সাপ* আদি কবিতালৈ লক্ষ্য কৰিলে তাত এলিয়টীয় কবিতাৰ ছাঁ-পোহৰৰ খেলা দৃষ্টিগোচৰ হ'ব। পিচে সেই চিত্রৰ বাবে হেম বৰুৱাৰ কবিতা জটিল আৰু দুর্বোধ্য হৈ যোৱা নাই। প্রখ্যাত চিন্তাবিদ, বৈদগ্ধ সমালোচক হীৰেন গোহাঁইৰ ভাষাত—

"গতানুগতিক অলঙ্কাৰৰ প্রভাৱৰ পৰা তেওঁৰ কবিমন মুক্ত হ'ল। কিন্তু এলিয়টৰ দৰে জটিল প্রতীক আৰু *দুর্গম পুৰাণৰ* (Mythology) মাজত তেওঁৰ কবিতাই আত্মগোপন নকৰিলে। তেওঁ ব্যৱহাৰ কৰা আখ্যানসমূহো সার্বজনীন ভাৰতীয় মানসৰ বাবে অন্তৰংগ কৃষ্ণ-কংস-জৰাসন্ধ-ৰাম-সীতাৰ কাহিনী। তেওঁৰ কবিতাবোৰত বহু সময়ত একোটা কাহিনী বা মূল ভাব থাকে। মূল ভাবৰ ঠাইত কেৱল অশৰীৰী ধ্বনি-প্রতিধ্বনিৰে স্থান

পূৰণ তেওঁ কৰা নাই। কিন্তু এই কাহিনীবোৰৰ ভাবৰ অনুৰণন ৰসিকজনৰ বাবে অসাধাৰণ। *এটা সাপ* বা *এটা আৰিষ্কাৰত* যি প্ৰচ্ছন্ন ৰূপক আছে, সিও অতিৰিক্ত বৈদগ্ধৰে ধোঁৱা-কোঁৱা হৈ থকা নাই। তেওঁৰ কবিতাবোৰৰ গাঁথনিত (Structure) দুৰ্গম প্ৰতীকৰ অপেশ্বৰী সূতাৰ আঁহ খেপিয়াই ফুৰিবলগা নহয়। এই ক্ষেত্ৰত তেওঁ এলিয়টক অনুকৰণ কৰিবলৈ গৈ উপৰুৱা ৰহণ এটা সৃষ্টি কৰিছে, কিন্তু তেওঁৰ মূল বক্তব্য সহজ।"

সমালোচক হীৰেন গোহাঁইৰ এই তাৎপৰ্যপূৰ্ণ মন্তব্যৰ পৰা হেম বৰুৱাৰ কবিতাত নিহিত গুণ আৰু বৈশিষ্ট্যসমূহৰ ধাৰণা লাভ কৰিব পৰা যায়। সেই দৃষ্টিভঙ্গীৰে তেওঁৰ *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোৰ বিষয়বস্তুত চকু ফুৰালে কবিতাটোৰ বিষয়বস্তুগত গুৰুত্বৰ লগতে তাত নিহিত কাব্যিক সৌন্দৰ্যৰ আভাস পাব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ *উন্মাদ বাসনাই* সমাজ তথা মানৱতাক কিদৰে দুৰ্বিসহ যাতনা ভোগ কৰায়? *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোৰ আধাৰত বিচাৰ কৰক। [250টা শব্দৰ ভিতৰত লিখক)

১০.৫.৪কবিতাটিত হোৱা আধুনিক চিন্তাৰ প্ৰতিফলন

কবিতাটোত বিভিন্ন ধৰণে আধুনিক চিন্তাৰ প্ৰতিফলন ঘটিছে। বুৰঞ্জীক কবিতাটোত গতিশীলতা আৰু প্ৰাণ প্ৰবাহৰ দ্যোতক হিচাপে ৰূপায়িত কৰাৰ সলনি ইয়াক নঞৰ্থক হিচাপে উপস্থাপন কৰা হৈছে। মহাযুদ্ধৰ সময়ৰ মানুহ এলিয়টৰ কাব্যৰ দৰেই জীৱন্তে মৃত। আধুনিক মানুহৰ চেতনা সৰলৰৈখিক নহয়, বৰঞ্চ বহুধাবিভক্ত। এটা অনুভূতি যেনেকৈ ৰমন্যাসিক কবিতাত বৈ থাকে বা এটা ধাৰণাই যেনেকৈ এনেবোৰ কবিতাত গঢ় লৈ উঠে, আধুনিক চিন্তা কিন্তু তেনেদৰে মূৰ্ত হৈ নুঠে। গতিকে আধুনিক কবিতাত পূৰ্বৰ 'ধাৰণাৰ শৃঙ্খলা' (Logic of Concept)ৰ স্থান ল'বলৈ আগবাঢ়ি আহিল 'কল্পনাৰ শৃঙ্খলা' (Logic of Imagination)। ৰমন্যাসিক ভাব-প্ৰৱণতাক কালিদাসৰ উল্লেখৰ জৰিয়তে কবিয়ে উলাই কৰিছে।

আধুনিক কবিতাত এলিয়টৰ পোষকতাতে সৌন্দৰ্যৰ লগতে কদৰ্যৰো সমাবেশ ঘটে, জীৱনৰ পূৰ্ণাঙ্গ ছবি দুয়োটাৰ সমন্বয়তহে ফুটি উঠে। *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোতো পোহৰৰ বিপৰীতে আন্ধাৰৰ বোধন কৰা হৈছে। দুষ্যন্তৰ ৰাজকাৰেঙৰ শলিতাৰ জেউতি নিৰ্বাপিত কৰি আন্ধাৰৰ আহ্বান কৰিছে কবিয়ে—

"হেৰা শকুন্তলা—
তোমাৰ আঙুলিৰ অগ্নি-কণাৰে নুমাই দিয়া
ৰাজকাৰেঙৰ শলিতাৰ জুই।

দুষ্মন্তৰ ভাগক স্বপ্ন

পোহৰতকৈ এন্ধাৰ ভাল"

নৈৰাশ্যৰ বিভিন্ন ছবি কবিতাটোত অঙ্কিত হ'লেও নতুন পুৱা এটিৰ আশাৰে কবিতাটোৰ সমাপ্তি ঘটিছে।

১০.৫.৫ কবি হিচাপে হেম বৰুৱাৰ মূল্যায়ন

হেম বৰুৱা [1915–1977]ই চিকুণাই দিয়া বাটটোৰেই আধুনিক অসমীয়া কবিতা আগবাঢ়িছিল। জয়ন্তী যুগৰ প্রতিনিধিস্থানীয় অমূল্য বৰুৱাকে ধৰি কেইগৰাকীমান (বিশেষকৈ ভৱানন্দ দত্ত)ৰ হাতত আধুনিক অসমীয়া কবিতাৰ সূচনা হৈছিল যদিও কবিতাৰ ভাষাই এটি মসৃণতা লাভ কৰা নাছিল। কথ্য ভাষাৰ ব্যৱহাৰ আছিল যদিও ৰমন্যাসিক কবিতাৰ সুঁতিৰ পৰা সদ্য বিচ্যুত এই কবিতালানিত ভাষাই সাৱলীলতা পাবলৈ তেতিয়াও বাকী আছিল। বিষয় আৰু আঙ্গিকৰ ক্ষেত্রতো ভাৰসাম্য ৰক্ষিত হোৱা নাছিল। এনেবোৰ কথাৰ পৰিপ্রেক্ষিতত আধুনিক অসমীয়া কবিতাৰ প্রকৃতার্থত জনক বুলি হেম বৰুৱাকে অভিহিত কৰিব পাৰি।

হেম বৰুৱাৰ কবিতা সঙ্কলন দুখন— *মন-ময়ূৰী* আৰু *বালিচন্দা*। এই দুখন সঙ্কলনৰ কবিতাখিনিকে ধৰি অসঙ্কলিত কবিতাবোৰ লৈ *হেম বৰুৱাৰ কবিতা* শীর্ষক গ্রন্থ প্রকাশ হৈ ওলাইছে। মহাযুদ্ধকালীন পৰিৱেশৰ ৰূপায়ণ, শ্রমজীৱী জনতাৰ ছবি, যৌৱনৰ জয়ধ্বনি, আন্তর্জাতিকতাবোধ, ব্যক্তিগত প্রেম, বেদনাদগ্ধ নাৰীৰ অন্তৰৰ হাহাকাৰ তেওঁৰ কবিতাৰ উপজীব্য। আধুনিক জীৱনৰ নেতি আৰু মালিন্যই তেওঁৰ কবিতাত বাৰে বাৰে ভুমুকি মাৰিলেও শীতৰ কুঁৱলী ভেদি ওলাই অহা মিঠা এজাক ৰ'দৰ দৰে এনেবোৰ স্তৰকে আমাৰ অন্তৰত সততে দোলা দি থাকে—

"সোণপাহি,
তুমি আহিছা, আহা। তোমাৰ হাতৰ কাঁচিত
হেজাৰ যুগৰ শান। উজায়ে আহিছে চৰা নাওখনি
উজায়ে আহিছে টিঙ।" (জাৰৰ দিনৰ সপোন)

সোণপাহি বিদ্রোহী জনতাৰ প্রতিনিধি, এই বিদ্রোহ যুগ যুগ ধৰি চলি আহিছে। উজাই অহা চৰা নাওখনিয়ে সামন্ত-প্রভুৰ ব্যঞ্জনা কঢ়িয়াই আনিছে। কাঁচিৰ শান আৰু চৰা নাৱৰ যুগপৎ উপস্থাপনে শ্লোগানধর্মিতাৰ পৰা কবিতাটিক ৰক্ষা কৰিছে। হেম বৰুৱাই ভাষাৰ ক্ষেত্রত ক্রমান্বয়ে লাভ কৰা দক্ষতাৰো ই উমান দিয়ে।

প্রথম মহাযুদ্ধৰ সময়ত ইউৰোপ আৰু আমেৰিকাত সূচনা হোৱা আন্তর্জাতিকতা-বোধৰ প্রতি হেম বৰুৱাৰ সঁহাৰি আছিল আন্তৰিক। আফ্রিকাৰ সংগ্রামী জনতাৰ স'তে কবিয়ে অন্তৰংগতা স্থাপন কৰিছে—

"তাম্ৰৰঙী মোৰ এই দেহাৰ অন্তৰ জোৱাৰত
কৃষ্ণাংগ আফ্ৰিকা, তোমাৰ অৱহেলিত স্বপ্ন
সাগৰৰ ঢউ হওক।
এই নীল জলধিৰ স্ৰোত প্লাৱনে যদি
তোমাক নীড় ভঙা পখীৰ দৰে
জীৱনৰ জুই-শিখাৰে মৃত্যুস্নান কৰে,
ধৰিত্ৰীয়ে পিন্ধিব সেইদিনা বৈধব্যৰ সাজ।"

*মনময়ূৰ*ৰ অন্তৰ্ভুক্ত *আইতা* হেম বৰুৱাৰ এটি উজ্জ্বল কবিতা। কথোপকথনৰ আৰ্হিত প্ৰস্তুত কৰা এই কবিতাটিত আছে যৌৱনৰে জয়ধ্বনি—

"আইতাক লগ পাই সুধিছিলোঁ মই ঃ
'তুমি আই, লাখুটিত ভৰ দি,
খুপি খুপি বিচাৰিছা কি?'
আইতাইৰ ঘোলা চকুযুৰি
মোৰ ফালে তুলি
একেষাৰ কথা মাথোঁ ক'লে ঃ
মই বিচাৰিছো, বিচাৰিছোঁ কি
তই নুবুজিবি, নুবুজিবি সোণ।
বিচাৰিছো মই সেই কুৰিটা বছৰ,
মোৰ যৌৱনৰ, সপোনৰ
বাটৰ ধূলিত কিজানিবা আছে লীন হৈ।"

বাটৰ ধূলিত বিগত অতীতৰ অন্বেষণে যৌৱনৰ বন্দনা ব্যঞ্জিত কৰিছে। শেষৰ শাৰী দুটাৰ অভিঘাত সঁচাকৈয়ে বিস্ময়কৰ।

আধুনিক কবিতাৰ কমসংখ্যক লক্ষণৰ ৰূপায়ণ ঘটিছে হেম বৰুৱাৰ কবিতাত। চিত্ৰকল্পবাদ, প্ৰতীকবাদৰ আগলি বতৰাহে তেওঁৰ কবিতাই কঢ়িয়াই আনিছে। আচৰিত নহয় তেওঁৰ কবিতাত ৰমন্যাসিকতাই বাট উলিয়াই লৈছে—

"শ্ৰান্তিমান চকুযোৰ তাইৰ কোনো এক নজনা দেশৰ
নুবুজা ভাষাৰ কথা আঁকি লৈ বহু কথা কয়।
আকাশৰ এচপৰা নীলা সউৱা তাইৰ চকুৰ পোহৰ,
মেঘালি দিনৰ কণ কণ ঢউবোৰ তাইৰ সেয়া।
চুলিৰ মাজত।" (চনিয়া)

এগৰাকী গাভৰুৰ স্মৃতিয়ে কবিক আমনি কৰিছে। কেতিয়াবা আনকি ছোৱালী-জনীৰ অস্তিত্ব সম্পৰ্কেই তেওঁৰ মনত সন্দেহৰ উদ্ৰেক কৰিছে। পাছলৈ ৰমন্যাসিক

স্নিগ্ধতা-কোমলতাৰ পৰা আঁতৰি আহি কবিয়ে গাভৰুজনীক সংস্থাপিত কৰিছে দৈনন্দিন বাস্তৱতাৰ বুকুত—

"তাইক মই দেখা নাই কলেজৰ বাৰাণ্ডাত,
তাইক মই দেখা নাই চহৰৰ পুখুৰী পাৰত,
নাইবা,
কোনোবা এক নিজম পৰত
কোনো এক নিৰলা গাঁৱৰ সন্ধিয়াৰ চিকুণ বুকুত।
দেখা নাই তাইক মই নৈৰ পাৰত
দেখা নাই পথাৰত, দেখা নাই জোনাকত,
দেখিছিলোঁ
কোনো এক প্ৰখৰ ৰ'দৰ তাপত
মদনপুৰ বাগিচাত, য'ত শ্ৰম আছে,
ক্লান্তি আছে,
আৰু আছে নিতৌ সন্ধিয়া
এমুঠি ভাগৰ, এবাটি মৰম,
এচোতাল নাচ আৰু গান ঃ
আৰু ঃ
যৌৱন বাগৰা হাঁহি, ৰাংঢালি প্ৰাণ।"

ৰমন্যাসিকতাৰ বাটটোক ভেটা দিবলৈ কবিয়ে যত্ন কৰিছে দৈনন্দিন বাস্তৱতাৰ মাজতো ই উজলি আছে।

এলিয়টীয় চিত্রকল্পৰ অনুকৰণত পৃথিৱীৰ প্ৰতি অনুৰাগ প্রকাশিত হৈছে—

"অস্ত্রোপচাৰ টেবুলত মাতৃমুখী নাৰীৰ চকুত
যি অনুৰাগ ধৰা দিয়ে
সেই অনুৰাগ কুমাৰী পৃথিৱীৰ হিয়াৰ ক্রন্দন।
মৰাশৰ স্তূপ দেখি পৃথিৱীয়ে ভাবে
এইবোৰ বনৰীয়া হাঁহ হোৱা হ'লে।"

বালিচন্দাৰ অন্তর্গত *মমতাৰ চিঠি* হেম বৰুৱাৰ এটি সকলোৰে চিনাকি কবিতা। কবিতাটোলৈ মানুহৰ উচ্ছ্বাসে তাৰ সাফল্য সম্পর্কত অস্পষ্টতাৰ সৃষ্টি কৰাটোও আচৰিত নহয়। কবিতাটোৰ স্নিগ্ধতা আৰু কাৰুণ্যই বাৰে বাৰে পঢ়ুৱৈৰ মনত দোলা দি যায়। অনুভূতিৰ তীব্রতা কথিত ভাষাৰ মাধ্যমত মূর্ত হৈছে। এগৰাকী নাৰীৰ জীৱনলৈ নামি অহা ট্রেজিকবোধৰ ভৱিষ্যৎমুখী প্রক্ষেপণ ঘটিছে এনেদৰে—

"মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা ?
আকাশৰ মেঘৰ মোহনাত

হালধীয়া জোনটো নাওখন হৈ
আমাক যে ৰিঙিয়াই মাতিছিল,
তৰাৰ দেশলৈ।"

কাৰুণ্যই ঘনীভূত ৰূপ লাভ কৰাৰ মূলতে ইয়াৰ অনুষঙ্গ হিচাপে থকা জোন, নাও। সূক্ষ্ম সৌন্দর্যবোধেৰে কাৰুণ্যৰ উন্মেষ হৈছে। হালধীয়া জোনে একপ্রকাৰৰ ৰিক্ততা, শূন্যতাৰো ব্যঞ্জনা আনি দিছে। তৰাৰ দেশলৈ মতা কার্যই আনিছে অসীমৰ ব্যঞ্জনা। নক'লেও হ'ব ই মৃত্যু চেতনাৰে প্রকাশ। চিত্রকল্পৰ বিভিন্ন আয়তন মনত ৰাখিও এই কথা ক'ব পাৰি যে কথ্য ভাষাই ইয়াত নিৰাবেগ ৰূপত অভিব্যক্তি লাভ কৰা নাই। চিত্রকল্পটিৰ ভৱিষ্যৎমুখী প্রক্ষেপণ (নাৰী এগৰাকীৰ স্বামীৰ যে মৃত্যু হ'ব) পিছলৈ পোনপটীয়া উক্তিৰ জৰিয়তে ব্যঞ্জিত হৈছে ঃ

"মই লোৱা কঁকালৰ ৰিহাখনলৈ
তুমি বাৰু তেনেকৈ কিয় একেথৰে চাইছিলা ?
মোৰ কেনে লাগিছিল, জানা ?
তুমি যেন কোনোবা দূৰ বিদেশৰ,
স্বপ্নাতুৰ আলোকৰ মানুহ। আৰু মই ?
মই যেন তলসৰা এপাহ শেৱালি।"

কঁকালৰ ৰিহাই যৌৱনৰ প্রাচুর্যৰ ইঙ্গিত বহন কৰিছে আৰু কালক্রমত সিয়েই অর্থহীন হৈ পৰিব। স্বপ্নৰ দেশৰ গিৰিহঁত অসীমত মিলি যাব ইয়াৰো ইঙ্গিত আছে। এপাহ তলসৰা শেৱালিৰ দৰেই সেই নাৰী পৰি ৰ'ব স্বামীৰ অনুপস্থিতিত, চিৰ বিদায়ত। বিয়াৰ সাত বছৰ পাছত স্বামীৰ মৃত্যু হৈছে। এই কাৰুণ্যৰ প্রকাশ সৰল অথচ গাঢ়—

"সি মোক একেবাৰে এৰিকে নিদিয়ে।
কেতিয়াবা মোৰ যে ইমান খং উঠে।
তুমি নাই নহয়, সেই কাৰণে।"

কবিতাটোৰ শেহত চীনা কবি Cho-fu-foৰ এজৰা পাউণ্ডে উদ্ধৃত কৰা কবিতাৰ উল্লেখেৰে প্রতিধ্বনি তোলা হৈছে এনেদৰে—

"আৰু কি লেখিম ? বিশেষ একো নাই
মোৰে শপত, তুমি যিদিনা উলটি আহিবা,
মোক আগতীয়াকৈ জনাবা দেই।
মই ভোগদৈয়েদি ভটিয়াই গৈ,
বুঢ়া লুইতৰ বুকুৰ পৰা তোমাক ৰিঙিয়াই
মাতিম, —তুমি যিদিনা উলটি আহিবা
মোক আগতীয়াকৈ জনাবলৈ নেপাহৰিবা দেই।"

মৃত স্বামীক ওভতাই পোৱাৰ এই আকুলতা দৈনন্দিন বাস্তৱতাৰ অনুষংগেৰে অধিক কৰুণ হৈ পৰিছে—

"এইবাৰ বুজিছা, মাঘৰ মেজিৰ জুইকুৰা
বৰ ৰঙাকৈ জ্বলিছিল। আমাৰ আইতাৰ
ক'লী ছাগলীজনীৰ দুটা পোৱালি জগিছে
এটা শুধ বগা আৰু আনটো পখৰা" (মমতাৰ চিঠি)

মেজিৰ জুইকুৰাৰ ৰক্তিম আভা আৰু জীৱন-লালসাৰ নির্বাপিত অৱস্থাৰে বৈপৰীত্যৰ সৃষ্টি কৰা হৈছে। ছাগলী পোৱালি জগা কার্যই জীৱনৰ উন্মেষৰ ইঙ্গিত দিছে, তাৰ বিপৰীতে আছে মমতাৰ মৰহি পৰা জীৱন।

হেম বৰুৱা ভালেমান ক্ষেত্রত টি. এছ. এলিয়টৰ ওচৰত ঋণী। 'মমতাৰ চিঠি'ৰ কথ্য ভাষাৰ প্রসঙ্গতো এই কথা আহে। 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাত দুষ্যন্তৰ প্রসঙ্গৰ লগে লগে অৱতাৰণা কৰা হৈছে যুদ্ধৰ কথা। ভাবৰ এই মিশ্র সংস্থাপন (Counterpoint) টি. এছ. এলিয়টৰ পৰা অহা। পূর্বৰ কবিতাত আছিল 'ধাৰণাৰ শৃঙ্খলা' (Logic of Concept)। তাৰ সলনি 'কল্পনাৰ শৃঙ্খলা' (Logic of Imagination)ৰ প্রয়োগ কৰে টি. এছ. এলিয়টে। *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটিত কল্পনাৰ শৃঙ্খলা ব্যৱহাৰ হৈছে। কবি হিচাপে হেম বৰুৱাই প্রথমতে টি. এছ. এলিয়টক কিছু পৰিমাণে সার্থক ৰূপত উপস্থাপন কৰে। এই প্রভাৰ অইন কেইটামান উদাহৰণৰ জৰিয়তে দেখুৱাব পাৰি—

"চহৰৰ পদূলিয়ে পদূলিয়ে
ভজা মাছৰ গোন্ধে ৰাইজাঁই কৰে,
বৰষুণ নামি আহে চাট্ চাট্ কৰে।" (বর্ষা)

তুলনীয়—

"The winter evening setles down
With smell steaks in passageways.
.....
.....
The showers beat
On broken blinds and chimney-pots" (Preludes)

তেনেদৰে এলিয়টৰ Preludesৰ 'বাটৰ কণ্টকাকীর্ণ সমস্যা' ৰূপায়িত হৈছে এনেবোৰ স্তৱকত—

"জীৱনৰ সীমাহীন বাজেটৰ অকোৱা-পকোৱা
বাট, তাতে তুমি মোক বিচাৰি নোপোৱা।" (ৰোম প্রেম)

এলিয়টৰ দৰে গহীন ভাবৰ লগত চতুৰ ভাবৰ সংশ্লেষণ হেম বৰুৱাৰ কবিতাত ধৰা পৰে—

"ৰাজনীতি
নিপোটল গাভৰুৰ বুকুৰ আস্বাদ" (এটা আৱিষ্কাৰ)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ কোন কেইগৰাকী বিদেশী কবিৰ প্রভাৱ হেম বৰুৱাৰ কবিতাত পৰিছে? [250টা শব্দৰ ভিতৰত লিখক)



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ শেষত আমি 'আধুনিক মন'টোৰ পৰিচয় লাভ কৰিলোঁ। এই প্রসঙ্গত আমি ভার্জিনিয়া উল্‌ফৰ উপন্যাস *দ্য ৱেভচ*ৰ কথা ক'ব পাৰোঁ। ইয়াৰ বার্ণার্ড চৰিত্রটোৰ যোগেদি দুটা সম্পূর্ণ ভিন্ন অনুভূতি বেদনা আৰু আনন্দ একত্রে দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা ভাষাৰ মাধ্যমেদি মূর্ত কৰি তোলা হৈছে। আনন্দ আৰু শোক ইটো সিটোৰ পৰা পৃথক আৰু স্পষ্ট কৰি অথচ একেলগে প্রকাশ কৰা এই বৌদ্ধিক অনুশীলনে হফ্‌মানস্তালৰ 'আধুনিক ধাৰণা'ৰে প্রতিধ্বনি কৰিছে।
- দার্শনিক নীৎছেৰ আত্মবাদ, শিল্পী পিকাছোৰ আত্মগত কল্পনাৰ ওপৰত প্রাধান্য, দার্শনিক ইমানুৱেল কাণ্টৰ মুক্ত সৌন্দর্যৰ ধাৰণাই জ্ঞানৰ ক্ষেত্রত নতুন আয়তনৰ সংযোগ কৰিলে।
- মহানগৰৰ জীৱনৰ ৰূপায়ণ আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য। আধুনিক শিল্পী এগৰাকীয়ে তেওঁৰ চেতনাত নগৰৰ মানচিত্র এখনকে কঢ়িয়াই লৈ ফুৰে বুলিয়েই আধুনিকতাবাদক নগৰ শিল্প বুলি অভিহিত কৰা হয়।
- সময়ৰ প্রাধান্য আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য।
- আধুনিক কবিতাৰ আঙ্গিকৰ কথা ক'বলৈ গ'লে চিত্রকল্পবাদ, প্রতীকবাদ, পৰোক্ষ উল্লেখ (Allusion) আদি বিভিন্ন প্রসঙ্গৰ কথাই আমাৰ মনলৈ আহে।
- অসমীয়া আধুনিক কবিতাৰ উন্মেষৰ ক্ষেত্রত সাধাৰণ আলোচনা সাহিত্যৰ কথাই ক'বলগা হয়। প্রগতিশীল কবিতাৰ ক্ষেত্রত ভূমিকা লৈছিল *জয়ন্তী*নামৰ আলোচনীখনে। ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত আলোচনীখন ওলাই থকাৰ সময়ত ই তেনেকৈ প্রগতিশীল ৰূপ লোৱা নাছিল। কিন্তু 1943 চনত আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব কমলনাৰায়ণ দেৰ আৰু চক্রেশ্বৰ ভট্টাচার্য্যৰ হাতলৈ অহাত আলোচনীখনে প্রগতিশীল ৰূপ লাভ কৰে।
- আধুনিক কবিতাত এলিয়টৰ পোষকতাতে সৌন্দর্যৰ লগতে কদর্যৰো সমাবেশ ঘটে, জীৱনৰ পূর্ণাঙ্গ ছবি দুয়োটাৰ সমন্বয়হে ফুটি উঠে। *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাত পোহৰৰ বিপৰীতে আন্ধাৰৰ বোধন কৰা হৈছে।



১০.৭ অধিক জানিবলৈ

1] অসমীয়া বিভাগ (সম্পা.) [2015]Ê, *হেম বৰুৱাৰ কবিতাৰ বিচাৰ*, বি বৰুৱা কলেজ, গুৱাহাটী।

2] আহমেদ, কামালুদ্দিন [2014]Ê, *সাহিত্যৰ অভিব্যক্তি*, গুৱাহাটী ঃ বান্ধৱ।

3] আহমেদ, কামালুদ্দিন [2015]Ê, (পৰিবৰ্দ্ধিত সংস্কৰণ) *আধুনিক অসমীয়া কবিতা*, গুৱাহাটী ঃ বনলতা।

4] বৰুৱা, ভবেন [2002]Ê, *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*, গুৱাহাটী ঃ গ্ৰন্থ।

5] বৰুৱা, লোপা [2016]Ê, *কবিতাৰ বৈভৱ*, পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

6] ভট্টাচাৰ্য্য, পূৰ্ণ [2009]Ê, *আধুনিক অসমীয়া কবিতা*, পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



১০.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক কবিতাৰ সৃষ্টিত কেতবোৰ বিশেষ পৰিস্থিতিৰ ভূমিকা তাৎপৰ্যপূৰ্ণ— পাশ্চাত্যৰ সৃষ্টি আধুনিক কবিতাৰ সৃষ্টিত কেতবোৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক পৰিৱৰ্তন, জাগৰণ দায়ী... আলোচনা খণ্ডৰ আধাৰত উত্তৰটো লিখিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ এই বিশেষ শাখা অৰ্থাৎ 10.3ৰ আধাৰত কবিতাৰ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 10.4 শাখাটোত যি কেইগৰাকী অসমীয়া কবিৰ কবিতাৰ আলোচনা সন্নিৱিষ্ট হৈছে, সেই আলোচনাত কোনগৰাকী কবিৰ ৰচনাৰ কিদৰে আধুনিক কবিতাৰ লক্ষণ ফুটি উঠিছে তাৰ আধাৰতে এই প্ৰশ্নটোৰ উত্তৰ লিখিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ হেম বৰুৱাৰ কৰ্মজীৱনৰ কথা ক'বলৈ গ'লে আমি শিক্ষক, প্ৰশাসক, সাহিত্যিক আৰু ৰাজনীতিবিদ— এই চাৰিওটা ভূমিকাত অৱতীৰ্ণ হোৱা হেম বৰুৱা নামৰ ব্যক্তিগৰাকীৰ বিষয়ে পৃথকে পৃথকে লিখিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ 'উন্মাদ বাসনা'ই হিটলাৰৰ ইহুদী বিৰোধী দমন নীতিৰ কথালৈ আঙুলিয়াইছে। হিটলাৰৰ বাহিনীয়ে ইহুদীসকলৰ ওপৰত যি নাৰকীয় অত্যাচাৰ চলাইছিলে তাৰ বিৱৰণৰ মাজেদি মানৱীয়তা আৰু মনুষ্যতৰ অপমৃত্যু কিদৰে ঘটিছিল তাৰ বিৱৰণ দিব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ 10.5.5 উপশাখাত হেম বৰুৱাৰ কাব্য প্ৰতিভাৰ মূল্যায়নৰ সময়ত যি কেইগৰাকী বিদেশী কবিৰ প্ৰভাৱৰ দ্বাৰা তেওঁ অনুপ্ৰাণিত হৈছিল তাৰ বিষয়ে লিখক (250টা শব্দৰ ভিতৰত লিখক)।



১০.৯ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া আধুনিক কবিতাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ পাশ্চাত্যত সংঘটিত হোৱা কেনে ধৰণৰ ঘটনা-পৰিঘটনাকল্পে আধুনিক কবিতাই গা কৰি উঠিছিল?

প্ৰশ্ন ৩ ঃ হেম বৰুৱাৰ কাব্য মানসত বিশ্বৰ বিভিন্ন ঠাইত সংঘটিত হোৱা ঘটনা, পৰিৱৰ্তনসমূহে কিবা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল নে?

প্ৰশ্ন ৪ ঃ হেম বৰুৱাৰ সময়ৰ সমাজখন বিচাৰ কৰক। সেই সমাজখনে তেওঁৰ জীৱন আৰু কৰ্মৰাজিক কিবা প্ৰকাৰে প্ৰভাৱিত কৰিছিলনে?

প্ৰশ্ন ৫ ঃ *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোৰ বিষয়বস্তু কি? তাত আধুনিক জীৱন চিন্তাৰ কি কি দিশ ফুটি উঠিছে?

প্ৰশ্ন ৬ ঃ ব্যাখ্যা কৰক ঃ

ক) সময়ৰ বালুকাৰাশিত পদচিহ্ন ৰখা উন্মাদ বাসনা আমাৰ নাই।

খ) ...কোৰিয়াত জৰাসন্ধৰ কঙ্কাল।
এছিয়াৰ আকাশত আগুৰি শগুণৰ জাক!

গ) তোমাৰ কাব্য-বেদীত আমাৰ জীৱন-অৰ্চনা সৰি পৰা মদাৰৰ ফুল! (...গুৰুতো নেলাগ, গোসাঁইতো নেলাগ, থাক তলে ভৰি সৰি...।)

প্ৰশ্ন ৭ ঃ *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোত ৰাজনীতিবিদ হেম বৰুৱাৰ অস্তিত্ব আছেনে? যুক্তি সহকাৰে উত্তৰ লিখিব।

প্ৰশ্ন ৮ ঃ *পোহৰতকৈ এন্ধাৰ ভাল* কবিতাটোৰ মূল্যায়ন আগবঢ়াওক।

প্ৰশ্ন ৯ ঃ সামগ্ৰিকভাৱে কবি হেম বৰুৱাৰ মূল্যায়ন আগবঢ়াওক।

*** ***** ***